1989
Printed at the Assam Govt. Press,
Guwahati-21.

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

অসম চৰকাৰ

# বাজেট

# ১৯৮৯–৯০

## মুখ্যমন্ত্ৰী
## শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ
## দ্বাৰা উত্থাপিত

২৭ মাৰ্চ, ১৯৮৯

বিত্ত বিভাগ
গুৱাহাটী--৭৮১০০৬

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

অধ্যক্ষ মহোদয়,

সন্মানিত সদনত ১৯৮৯–৯০ চনৰ বাবে বাজেট প্ৰাককলন দাঙি ধৰিবলৈ পোৱাটো মোৰ বাবে সৌভাগ্যৰ কথা।

বিত্তীয় সংকট

১৯৮৮–৮৯ চনটো আছিল অসমৰ বাবে ইতিহাসত অভূতপূৰ্ব্ব বুলিব পৰা এক গভীৰ অৰ্থনৈতিক সংকটৰ বছৰ। মাননীয় সদস্য সকলে এই সংকটৰ কাৰণ জানিবলৈ বিচৰাটো স্বাভাৱিক কথা। এই সংকট হ'ল এই বছৰত চূড়ান্ত পৰ্য্যায় পোৱা স্তূপীকৃত সমস্যাবোৰৰ ফল। মই এই সংকটৰ নিৰ্দ্দিষ্ট কেইটামান মূল কাৰণ উল্লেখ কৰিব খোজো। ১৯৮০–৮১ চনৰ পৰা আৰম্ভ হোৱা ষষ্ঠ আৰু সপ্তম পৰিকল্পনাৰ সময়ছোৱাত পৰিকল্পনা আৱন্টনৰ হঠাৎ হোৱা অতি বৃদ্ধিয়ে ৰাজ্যখনৰ ওপৰত এক গধুৰ ঋণৰ বোজা জাপি দিয়ে। ১৯৮০–৮১ চনৰ বাৰ্ষিক পৰিকল্পনাৰ ১৯৮ কোটি টকাৰ আৱন্টন অতিপাত বাঢ়ি গৈ ১৯৮৮–৮৯ চনত ৬১০ কোটি টকা হয়গৈ। প্ৰতিখন বাৰ্ষিক পৰিকল্পনাৰ বাবে দিয়া ঋণ সাহায্য পৰৱৰ্ত্তী বছৰৰ পৰাই পৰিশোধ কৰিব লাগে আৰু আমাৰ পৰিকল্পনাৰ এটা বৃজন অংশৰ বিত্ত যোগান ধৰা হয় ঋণৰ জৰিয়তে।

অতিৰিক্ত সম্পদ

২। ১৯৮৭–৮৮ চনৰ বাৰ্ষিক পৰিকল্পনাৰ আকাৰ ৫৭৫ কোটি টকাত ধাৰ্য্য কৰা হৈছিল। এই পৰিকল্পনালৈ ৰাজ্যখনৰ বৰঙণি ধাৰ্য্য কৰা হৈছিল ৪৫ কোটি টকা। ৭৭ কোটি টকাৰ অতিৰিক্ত সম্পদ আহৰণ কৰাৰ পিচতহে এই বৰঙণি সম্ভৱপৰ হয়। চলিত বছৰৰ বাৰ্ষিক পৰিকল্পনা হ'ল ৬১০ কোটি টকাৰ। ৰাজ্যৰ বৰঙণি নিৰ্দ্ধাৰিণ কৰা হৈছিল ৭৫ কোটি টকাত। এই বৰঙণি আহৰণ কৰিব লগীয়া হৈছিল ১০৮ কোটি টকা পৰিমাণৰ অতিৰিক্ত সম্পদৰ পৰা। ১৯৮৭–৮৮ আৰু ১৯৮৮–৮৯ চনৰ প্ৰায় ১৮৫ কোটি টকাৰ অতিৰিক্ত সম্পদখিনিৰ আহৰণ বিশেষকৈ এতিয়াও কাৰ্য্যকৰী নোহোৱা তেলৰ ৰয়েল্টি সংশোধনৰ পৰাই আহৰণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছিল যদিও সেয়া হৈ নুঠিল। আমাৰ সম্পদৰ ক্ষেত্ৰত থকা এই বিৰাট ব্যৱধানেই হ'ল অৰ্থনৈতিক সংকটৰ প্ৰধান কাৰণ যাক কেন্দ্ৰীয় সাহায্য অথবা ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ বৰ্দ্ধিত বেগৰ জৰিয়তেও পূৰাব পৰা নাই।

অভাৱ ড্ৰাফট ঋণ

৩। অতীতত আমাৰ সম্পদৰ ক্ষেত্ৰত এনে ধৰনৰ ঘাটিৰ দৃষ্টান্ত বিৰল নহয়। ভাৰত চৰকাৰৰ পৰা অভাৱ ড্ৰাফ্‌ট ঋণ লৈ এই ব্যৱধান সময়ে সময়ে পূৰ কৰা হয়। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি যে ১৯৮২–৮৩ চনত ১২৭ কোটি আৰু ১৯৮৫–৮৬ চনত পোৱা ১১৮ কোটি টকাৰ ঋণৰ জৰিয়তে

ব্যৱধান হ্ৰাস কৰা হয়। অকল অসমৰ ক্ষেত্ৰতেই নহয়, সমগ্ৰ ভাৰতবৰ্ষতে ১৯৮৬ চনৰ পৰা ভাৰত চৰকাৰে এই ব্যৱস্থা বন্ধ কৰি দিয়ে। ফলত ৰাজ্য সমূহ নিজৰ বাজেট–সম্পদৰ ওপৰতে বৰ্ত্তি থাকিবলৈ বাধ্য হ'ব লগা হয়। এইটোও হ'ল বৰ্ত্তমান সংকটৰ আন এটা ঘাই কাৰণ।

অৰ্দ্ধোপায় ৪। ১৯৮৬–৮৭ চনৰ ৩১ মাৰ্চত থকা ১১ কোটি টকাৰ বাজেট ঘাটি ১৯৮৭ চনৰ ৩১ মাৰ্চত ৪০ কোটি টকালৈ বৃদ্ধি পায় আৰু ১৯৮৮ চনৰ ৩১ মাৰ্চত ই হয়গৈ ১২৮ কোটি টকা। সেইবাবে, চলিত বছৰটো অসমৰ দৰে সৰু ৰাজ্য এখনৰ বাবে বহন কৰিব নোৱাৰা এক বৃহৎ পৰিমাণৰ ঘাটিৰে আৰম্ভ হয়। ১৯৮৮ চনৰ মাৰ্চত ভাৰতীয় ৰিজাৰ্ভ বেংকত ৰাজ্যিক হিচাপত ৯৪ কোটি টকাৰ বৃহৎ পৰিমাণৰ অভাৰ ড্ৰাফ্ট হওঁতেই এই সংকটৰ আৰম্ভণী লক্ষণ ধৰা পৰিছিল। ঠিক তাৰ পিছতেই আমি আকৌ ১৯৮৮ চনৰ এপ্ৰিলতে ৫৬ কোটি টকা পৰিমাণৰ অভাৰ ড্ৰাফ্ট লওঁ আৰু ইয়াক ভাৰত চৰকাৰৰ পৰা পৰিকল্পনা সাহায্য আৰু সাধাৰণতে ১৯৮৮–৮৯ ৰ শেষৰ ফালে মোকলাই দিবলগীয়া নেট ইন্টাৰেষ্ট লায়েবিলিটি গ্ৰান্টৰ বিপৰীতে আগধন লৈ পৰিশোধ কৰা হয়। সংকট চলি থাকিল আৰু কেন্দ্ৰীয় ঋণৰ বৃহৎ পৰিমাণৰ পৰিশোধৰ কাৰণে ১৯৮৮ ৰ জুলাই, ১৯৮৮ ৰ অক্টোবৰ, ১৯৮৯ ৰ জানুৱাৰী, ১৯৮৯ ৰ ফেব্ৰুৱাৰী আৰু ১৯৮৯ ৰ মাৰ্চত ৰাজ্যখনে এক বৃহৎ পৰিমাণৰ অভাৰ ড্ৰাফ্ট লব লগা হ'ল। সুত আৰু মূলৰ বাবদ আমি ভাৰত চৰকাৰক ১৯৮৮ ৰ জুলাইত ৬৪ কোটি টকা, ১৯৮৮ ৰ অক্টোবৰত ৯৪ কোটি টকা আৰু ১৯৮৯ ৰ জানুৱাৰীত ৬০ কোটি টকা পৰিশোধ কৰো। এই মাহত আৰু ৯৪ কোটি টকা পৰিশোধ কৰা হয়।

৫। ১২৮ কোটি টকাৰ বিৰাট আৰম্ভণী ঘাটি, অভূতপূৰ্ব্ব বানপানী, মৰগীয়া বানচৰ বিলত টকাৰ পৰিমাণ অধিক বৃদ্ধি, কেন্দ্ৰীয় ঋণৰ বাবে বহু পৰিমাণৰ টকাৰ পৰিশোধ, সম্পদ আহৰণ পৰ্যাপ্ত পৰিমাণে নোহোৱা আৰু তেলৰ ৰয়েল্টি বৃদ্ধিৰ ক্ষেত্ৰত কৰা বিলম্বই চলিত বছৰত ৰাজ্যখনৰ তাকৰীয়া বিত্তৰ ওপৰত প্ৰচণ্ড চাপ পেলায় আৰু চৰকাৰক পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত, উন্নয়নী আৰু উন্নয়ন বহিৰ্ভূত ব্যয় কঠোৰ ভাবে কৰ্ত্তন আৰু পৰিশোধ নিয়মীয়া কৰিবলৈ

বাধ্য কৰায়। অহা কেইমাহমানৰ ভিতৰতে পৰিস্থিতিৰ কিবা নাটকীয় পৰিবৰ্ত্তন হব বুলি আশা কৰিব নোৱাৰি। কেন্দ্ৰৰ ওপৰত থকা আমাৰ অতিমাত্ৰা নিৰ্ভৰশীলতা কমাবলৈকে ৰাজ্যখন আগন্তুক কিছুদিনৰ কাৰণে মিতব্যয়ী হ'ব লাগিব।

তেল ৰয়েল্টী

৬। এইখিনি প্ৰাথমিক কথাকে কৈ মই ৰাজ্যখনৰ ৰাজহ আৰু ব্যয় সম্পৰ্কীয় বিষয়টো বহলাই উত্থাপন কৰিবলৈ আগবাঢ়িব খুজিছো। তেলৰ ৰয়েল্টি ৰাজ্যখনৰ এক প্ৰধান অনাকৰী ৰাজহ (non-tax revenue) আৰু ই আমাৰ ৰাজ্যখনৰ নিজা সম্পদৰ শতকৰা ২৩ ভাগ। অসমত বছৰি প্ৰায় ৫ নিযুত টন খাবুৰা তেল উৎপাদন হয় আৰু ই দেশৰ ভূভাগত হোৱা উৎপাদনৰ আধা। দেশখনৰ উন্নতিত অসমে পৰ্য্যাপ্ত পৰিমাণে বৰঙণি যোগোৱা সত্ত্বেও তেলৰ ৰয়েল্টিৰ পৰা ৰাজহ বঢ়োৱাৰ ক্ষেত্ৰত তেল পথাৰ (নিয়ন্ত্ৰণ আৰু উন্নয়ন) আইন, ১৯৪৮ আৰু কেন্দ্ৰীয় বিক্ৰীকৰ আইন, ১৯৫৬ বাধা হৈ পৰিছে। তেল–কূঁপত খাবুৰা তেলৰ মূল্যৰ শতকৰা ২০ ভাগৰ ওপৰতেই তেলৰ ৰয়েল্টীৰ হাৰ নিৰ্দ্ধাৰণ কৰা হয়। নিজৰ সুবিধাৰ কাৰণে সময়ে সময়ে স্থিতি সলনি কৰি থাকিবলৈ ভাৰত চৰকাৰক সুযোগ দিয়া আইনত "মূল্য"ৰ ব্যাখ্যা দিয়া হোৱা নাই। যেনে– অলপতে ভাৰত চৰকাৰে এনে এক দৃষ্টিভংগী গ্ৰহণ কৰে যে খাবুৰা তেলৰ মূল্যত ভাৰত চৰকাৰে লগোৱা টনে প্ৰতি ৬০০ টকাৰ তেল উন্নয়ন উপকৰ (Oil development cess) হিচাপত ধৰা নহব। আনহাতে, ১৯৮১ চনত ভাৰত চৰকাৰে গুজৰাট চৰকাৰলৈ দিয়া চিঠিত এই বুলি স্পষ্ট কৰি দিছিল যে তেলৰ মূল্যৰ ওপৰতে তেল উন্নয়ন উপকৰো ধৰা হৈছে। দ্বিতীয়তে, আইনত এনে ব্যৱস্থাও আছে যে তেলৰ ৰয়েল্টিত তিনি বছৰত এবাৰতকৈ অধিক সংশোধন ঘটাব নোৱাৰিব। যিহেতু আইনত সংশোধনীৰ সময় নিৰ্দ্দিষ্টকৈ ধৰি দিয়া হোৱা নাই, সেয়ে ই ভাৰত চৰকাৰক সংশোধনীৰ সময় নিজাকৈ বাছি লোৱাৰ বাবে সুবিধা দিছে। প্ৰতি দুবছৰৰ মূৰে মূৰে তেলৰ ৰয়েল্টি সংশোধন কৰিব পাৰিব বুলি কেন্দ্ৰ–ৰাজ্য সম্পৰ্কৰ চাৰকাৰিয়া আয়োগে দিয়া অনুমোদনৰ কথা এই প্ৰসংগতে উল্লেখ কৰিব পাৰি।

তেল উন্নয়ন উপকৰ

৭। তদুপৰি, কেন্দ্ৰীয় বিক্ৰীকৰ আইন, ১৯৫৬ ৰ অধীনত খাবুৰা তেলক ঘোষিত পণ্য দ্ৰব্যৰ শ্ৰেণীভূক্ত কৰি বিক্ৰী কৰৰ দ্বাৰা ৰাজ্যই ৰাজহ গোটোৱা ক্ষমতা শতকৰা ৪ ভাগতে সীমিত

কৰি ৰখা হৈছে। ইফালে ভাৰত চৰকাৰে আৱকাৰী শুল্ক, প্ৰয়োগ মূল্য আৰু তেল উন্নয়ন উপকৰ সঘনাই বঢ়াই আছে যদিও ১৯৮৪ চনৰ পৰাই তেলৰ ৰয়েল্টি একেদৰে আছে। ভাৰত চৰকাৰে ১৯৮৭ চনৰ মাৰ্চতে তেল উন্নয়ন উপকৰ প্ৰতি মেট্ৰিক টনৰ ৩০০ টকাৰ পৰা একেকোবে দুগুণ কৰি প্ৰতি মেট্ৰিক টনত ৬০০ টকা কৰিলে আৰু ১৯৮৯ চনৰ ফেব্ৰুৱাৰীত তিনিগুণ বঢ়াই ৯০০ টকা কৰিলে; কিন্তু ৰয়েল্টি মেট্ৰিক টনে প্ৰতি ১৯২ টকাতে থাকিল। আনহাতে যি ক্ষেত্ৰত অসমে খাৰুৱা তেল আৰু উৎপাদিত দ্ৰব্যৰ পৰা বিক্ৰী কৰ আৰু ৰয়েল্টি বাবদ ১৮২ কোটি টকা পায় সেই ক্ষেত্ৰত তেল উন্নয়ন উপকৰ, আৱকাৰী শুল্ক, নিগম কৰ আৰু অসমত থকা তেল কোম্পানী বোৰৰ পৰা বাণিজ্যিক লভ্যাংশৰ বাবদ ভাৰত চৰকাৰে বছৰি পায় প্ৰায় ৫৭০ কোটি টকা।

প্ৰস্তাৱ

৮। সন্মানিত সদনৰ মাননীয় সদস্যবৃন্দৰ নিশ্চয় মনত থাকিব পায় যে যোৱা নৱেম্বৰ মাহতে ভাৰত চৰকাৰক তেলৰ ৰয়েল্টি ১৯২ টকাৰ পৰা টনে প্ৰতি ৩৪০ টকালৈ বঢ়াবলৈ অনুৰোধ কৰি এটা সৰ্ব্বসন্মত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। পৰিতাপৰ কথা যে এই সদনৰ সৰ্ব্বসন্মত সিদ্ধান্তৰ জৰিয়তে অসমৰ জন সাধাৰণৰ অনুভূতি যি ধৰণে প্ৰকাশ পাইছিল ভাৰত চৰকাৰৰ পৰা তাৰ যথোচিত সহাঁৰি পোৱা হোৱা নাই। এই বিষয়টো আমি নৱম বিত্ত আয়োগৰ ওচৰত উত্থাপন কৰিছো আৰু মোৰ দৃঢ় বিশ্বাস যে আয়োগে আমাৰ প্ৰতি ন্যায় বিচাৰ কৰিব।

দুগুণ ক্ষতি

৯। আনহাতে, এফালে ভাৰত চৰকাৰে ৰয়েল্টি সংশোধনৰ ক্ষেত্ৰত হোহকা পিছলা কৰি আছে আনফালে নৱম বিত্ত আয়োগে ১৯৮৯–৯০ চনত তেলৰ ৰয়েল্টিৰ পৰা পাব পৰা আমাৰ ৰাজহ আয়ৰ পৰিমাণ অধিককৈ দেখুৱাইছে।

বৰ্ত্তমানৰ ৯৬ কোটি টকা ৰাজহৰ বিপৰীতে বিত্ত আয়োগে ৰয়েল্টিৰ পৰা আমাৰ আয় ১৪৪ কোটি টকা হব লাগে বুলি ঠাৱৰ কৰিছে। এই অধিক নিৰ্দ্ধাৰণৰ কাৰণে ১৯৮৯–৯০ চনৰ বছৰটোত আমি ৪৮ কোটি টকাৰ ঘাটি মঞ্জুৰীৰ পৰা বঞ্চিত হব লগা হলো। আমি এই খেলি মেলিৰ বিষয়ে বিত্ত আয়োগৰ দৃষ্টি গোচৰ কৰিছো আৰু আশা ৰাখিছো যাতে অসমৰ দৰে এখন দুখীয়া ৰাজ্যই এই অবাঞ্চিত, অবাস্তৱ অধিক নিৰ্দ্ধাৰণৰ বাবেই ৪৮ কোটি টকাৰ এক বৃহৎ পৰিমানৰ মঞ্জুৰী হেৰুৱাব লগা নহয়। বিষয়টো পুনৰ বিবেচনা কৰিবলৈ বিত্ত আয়োগক মই এই সদনৰ যোগে পুনৰ অনুৰোধ কৰিলো।

গ্ৰাম্য উপকৰ

১০। তৈল খণ্ডৰ সম্পৰ্কত জনসাধাৰণৰ মাজত সৃষ্টি হোৱা ব্যাপক অসন্তুষ্টিৰ পৰিপ্ৰেক্ষিতত এই সদনে গ্ৰাম্য উন্নয়ন উপকৰ আইন, ১৯৮৮ প্ৰণয়ন কৰে আৰু ১৯৮৯ চনৰ জানুৱাৰীৰ পৰা এই আইন কাৰ্য্যকৰী হৈছে। এই আইনৰ যোগে খনিজ তেল উৎপাদন কৰা ক্ষেত্ৰৰ ওপৰত উপকৰ বহুৱাবলৈ লোৱা হৈছে। প্ৰধান তেল উৎপাদনকাৰী অইল ইণ্ডিয়া লিমিটেড আৰু তেল আৰু প্ৰাকৃতিক গেচ আয়োগৰ পৰা উপকৰৰ জৰিয়তে বছৰি ১৯২ কোটি টকা বৃদ্ধি কৰিবলৈ বিচৰা হৈছে। আমি উদ্বেগেৰে লক্ষ্য কৰিছো যে ভাৰত চৰকাৰৰ এই প্ৰতিষ্ঠান দুটাই কৰ আদায় দিয়াৰ পৰিবৰ্ত্তে বিধেয়কখনৰ ন্যায্যতাকেই উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনাবলৈ বিচাৰিছে। আমি আশা কৰিছো যে অসমৰ জনগণৰ আশা-আকাংখ্যাৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁলোকৰ ৰিট আবেদন উঠাই লবলৈ ভাৰত চৰকাৰে এই প্ৰতিষ্ঠান কেইটাক যথোচিত পৰামৰ্শ আগবঢ়াব। অতিৰিক্ত সম্পদ আহৰণৰ সন্দৰ্ভত ৰাজ্য চৰকাৰৰ দোষ খুচৰি থকা ভাৰত চৰকাৰে কৰ বিধি মানি নিজে এক আদৰ্শ দাঙি ধৰা উচিত। অইল ইণ্ডিয়া লিমিটেড আৰু তেল আৰু প্ৰাকৃতিক গেচ আয়োগে প্ৰতি টনত প্ৰায় ৪০০ টকা গ্ৰাম্য উপকৰ ধৰাটো অন্যায় হৈছে বুলি লিখিত অভিযোগ উত্থাপন কৰিলেও তেওঁলোকে আনন্দেৰে যোৱা মাহত আগৰ প্ৰতি টনত ৩০০ টকাৰ পৰা ৯০০ টকালৈ বৃদ্ধি কৰা কেন্দ্ৰীয় উপকৰ পৰিশোধ কৰে।

চাহ আৰু কয়লাৰ উপকৰ

১১। চাহ আৰু কয়লা উৎপাদন হোৱা মাটিৰ ওপৰত কৰ বহুৱাই এই সামগ্ৰীবোৰৰ পৰা অতিৰিক্ত সম্পদ আহৰণৰ উদ্দেশ্যে এই সদনে অসম গ্ৰাম্য বাগিছা শ্ৰমিক কল্যাণ বিধেয়ক, ১৯৮৬ খনত অনুমোদন জনায়। এই বিধেয়কখনৰ জৰিয়তে বছৰি ২০ কোটি টকা পোৱা হব বুলি আশা কৰা হৈছে। এই বিধেয়কখন ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে ৰাজ্যপালৰ হাতত আছে। দুবছৰৰো অধিক কাল পাৰ হৈ গল; কিন্তু বিধেয়কখনত ৰাষ্ট্ৰপতিৰ সন্মতি লাভ কৰিবলৈ এতিয়াও বাকী। মই জানো যে এনে ধৰণৰ বিধেয়ক বিহাৰ আৰু পশ্চিমবংগত বলবৎ হৈ আছে। বিধেয়কখনত সন্মতি প্ৰদানত ভাৰত চৰকাৰে কি কাৰণে পলম কৰি আছে বুজা টান। আমি বিষয়টো বিত্ত আয়োগৰ লগতো আলোচনা কৰিছো। ইয়াৰ ফলত হোৱা লোকচানৰ ক্ষতিপূৰণ দিবলৈ আমি বিত্ত আয়োগক ধৰিছো। বিধেয়কখনত ৰাষ্ট্ৰপতিৰ আশু অনুমোদনৰ বাবে এই সদনেও ভাৰত চৰকাৰক অনুৰোধ জনাব পাৰে।

ষ্টক ট্ৰেন্সফাৰ

১২। প্ৰচুৰ মূল্যবান সম্পদেৰে অসম চহকী। এই সম্পদসমূহ প্ৰাথমিক সামগ্ৰী হিচাপে ৰাজ্যখনৰ বাহিৰলৈ পঠোৱা হয়। ইয়াৰ ফলত নতুন

মূল্যৰ লাভ, বিক্ৰী কৰ আৰু নতুন বিনিয়োগৰ পৰা ৰাজ্যখন বঞ্চিত হয়। ৰাজ্যখনত বছৰি উৎপাদন হোৱা ৪৫ নিযুত বৰ্গ মিটাৰ প্লাইউদৰ ১২০ কোটি টকা মূল্যৰ প্ৰায় ৪০ নিযুত বৰ্গ মিটাৰ ষ্টক ট্ৰেন্সফাৰ হিচাপে বাহিৰলৈ পঠোৱা হয়। প্ৰায় ২০০ কোটি টকা মূল্যৰ পেট্ৰলিয়ামজাত সামগ্ৰী বছৰি আন আন ৰাজ্যলৈ পঠোৱা হয়। প্ৰায় ২২৫ কোটি টকা মূল্যৰ প্ৰায় ২৫০ নিযুত কিলোগ্ৰাম চাহপাত বছৰি ষ্টক ট্ৰেন্সফাৰৰ অধীনত অসমৰ বাহিৰলৈ যায়। চালানি কৰৰ পৰা এই ভাৰসাম্যহীনতা ভালেখিনি দূৰ কৰি বছৰি প্ৰায় ৪০ কোটি টকা ঘূৰাই আনিব পৰা যায়।

চালানি কৰ

১৩। চালানি কৰ আৰোপৰ ক্ষেত্ৰত ১৯৮৩ চনতে সংবিধান সংশোধন কৰা হৈছিল যদিও এতিয়ালৈকে প্ৰয়োজনীয় বিধেয়কত ভাৰত চৰকাৰে অনুমোদন কৰা নাই। চালানি কৰ সম্পৰ্কে আলোচনা কৰিবলৈ নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে মুখ্যমন্ত্ৰী সকলৰ এখন বৈঠক যোৱা ফেব্ৰুৱাৰী মাহত আহ্বান কৰিছিল। ৰেহাই দিয়া ক্ষমতাৰ সন্দৰ্ভত অসমকে ধৰি আন কেবাখনো ৰাজ্যই প্ৰদৰ্শন কৰা যুক্তি ভাৰত চৰকাৰে মানি লব নোখোজাটো পৰিতাপৰ কথা। ৰেহাই দানৰ ক্ষমতা অকল ৰাজ্যবোৰৰ ওপৰতে এৰি দিবলৈ আমি অহৰহ দাবী কৰি আহিছো। কিন্তু ভাৰত চৰকাৰে নিজৰ হাতত্তেই সমবৰ্ত্তী ক্ষমতা কেন্দ্ৰীভূত (Concurrent Power) কৰি ৰখাৰ ওপৰত জোৰ দি আছে। চাহ, পেট্ৰোলিয়ামজাত সামগ্ৰী আৰু প্লাইউডক ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ সম্পদ বুলি অজুহাত দেখুৱায়েই ভাৰত চৰকাৰে এই সম্পদবোৰৰ ওপৰত ৰেহাই দিব বুলি আমাৰ আশংকা হয়। যদি সেইটোৱে ঘটে তেনেহলে ই অতি ক্ষতিকাৰক কথা হব। এখন ভোক্তা ৰাজ্য (Consuming State) হিচাপে অসমে চালানি কৰৰ বিৰোধিতা কৰা স্বাভাৱিক ৰাজ্যখনে ৪০ কোটি টকা মূল্যৰ প্ৰকৃত অতিৰিক্ত সম্পদ লাভ কৰিব বুলিহে আমি প্ৰস্তাৱটো সমৰ্থন কৰিছিলো। চাহপাত, পেট্ৰোলিয়ামজাত সামগ্ৰী আৰু প্লাইউডৰ চালানি কৰ ৰেহাই দিলে অসম দুয়ো দিশৰ পৰা ক্ষতিগ্ৰস্ত হব আৰু অসমৰ ক্ষতিৰ বিনিময়ত উন্নত ৰাজ্য কেইখনহে অধিক লাভবান হব। আমাৰ এই আশংকাৰ বিষয়ে মই কেন্দ্ৰীয় বিত্তমন্ত্ৰীক

লিখিতভাবে জনাইছো। কৰ ৰেহাইৰ নীতি নিৰ্দ্দেশনা ৰচনা কৰাৰ অৰ্থে গঠিত হব লগা মুখ্যমন্ত্ৰী সকলৰ উপ কমিটি খনত অসমকো অন্তৰ্ভূক্ত কৰিবলৈ মই পৰামৰ্শ দিছিলো। আমি আন্তৰিকতাৰে আশা ৰাখিছো, ভাৰত চৰকাৰে আন চহকী ৰাজ্যবোৰৰ লাভৰ বাবে অসমৰ দৰে সৰু ৰাজ্য এখনৰ স্বাৰ্থৰ প্ৰতি যাতে পিঠি নিদিয়ে।

ছাৰকাৰিয়া আয়োগ

১৪। কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কৰ বিষয়ে গঠিত চাৰকাৰিয়া আয়োগে ভাৰত চৰকাৰৰ হাতত ১৯৮৮ চনত প্ৰতিবেদন দাখিল কৰে। ১৯৮৮ চনৰ মাৰ্চ মাহত ৰাজ্য চৰকাৰে এই প্ৰতিবেদনখন পায় আৰু আমিও এই সন্দৰ্ভত আমাৰ মতামত দাঙি ধৰিছো। চাৰকাৰিয়া আয়োগৰ পৰামৰ্শৱলী গভীৰ ভাবে পৰীক্ষা কৰি চাবৰ বাবে আইন মন্ত্ৰীৰ সভাপতিত্বত এখন উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰা হৈছিল

১৫। চাৰকাৰিয়া আয়োগে কেন্দ্ৰ আৰু ৰাজ্যৰ বিত্তীয় সম্পৰ্কৰ ওপৰত আমাৰ ৰাজ্যখনৰ বাবেও প্ৰাসংগিক ভালেকেইটি মূল্যবান পৰামৰ্শ আগবঢ়াইছে। কেন্দ্ৰীয় চৰকাৰে আৰোপ-কৰা উপকৰৰ দৰে নিগম কৰকো (Corporation tax) বিভাজ্য পুজিৰ অন্তৰ্গত কৰিবলৈ আয়োগে পৰামৰ্শ দিছে। ৰিৰ্জাভ বেংকৰ অ'ভাৰড্ৰাফ্‌টৰ ম্যাদ ৭ দিনৰ পৰা ১৪ দিনলৈ বঢ়াই দিবৰ বাবেও আয়োগে পৰামৰ্শ দিছে। ৰাজ্য চৰকাৰ সমূহে চাৰকাৰিয়া আয়োগৰ প্ৰতিবেদনৰ সম্পৰ্কত নিজা মন্তব্য জনাইছে যদিও এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে চূড়ান্ত সিদ্ধান্ত লবলৈ এতিয়াও বাকী। ৰাষ্ট্ৰীয় স্বাৰ্থৰ খাতিৰত ভাৰত চৰকাৰে চাৰকাৰিয়া আয়োগৰ পৰামৰ্শাৱলীৰ ওপৰত কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰা উচিত।

বিত্ত আয়োগ

১৬। বিত্ত আয়োগে কেন্দ্ৰ আৰু ৰাজ্যৰ বিত্তীয় সম্পৰ্কৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ১৯৮৭ চনৰ জুন মাহত ৰাষ্ট্ৰপতিৰ নিৰ্দ্দেশক্ৰমে নৱম বিত্ত আয়োগ গঠিত হয়। ১৯৮৯–৯০ চনৰ বিত্তীয় বছৰটোৰ প্ৰথম প্ৰতিবেদন আয়োগে ১৯৮৮ চনৰ জুলাইত দাখিল কৰে। ১৯৯০–১৯৯৫ চনৰ চূড়ান্ত প্ৰতিবেদন এই বছৰৰ শেষলৈ দাখিল কৰা হব বুলি আশা কৰা হৈছে। শ্ৰীএন, কে, পি, ছাল্‌ভেৰ নেতৃত্বত অহা আয়োগে যোৱা মাহত ৰাজ্যখনত কৰা তিনিদিনীয়া ভ্ৰমণ কালত মন্ত্ৰী পৰিষদ আৰু জ্যেষ্ঠ বিষয়া সকলৰ লগতো আলোচনা চলায়।

বানপানীৰ ফলত ৰাজ্যখনত হোৱা ক্ষয় ক্ষতিৰ বুজ লোৱাৰ উদ্দেশ্যে আয়োগে বান আক্ৰান্ত ক্ষেত্ৰও পৰিদৰ্শন কৰে। মই জনাবলৈ পাই সুখী হৈছো যে অসমৰ সমস্যাৱলীৰ প্ৰতি আয়োগে এটা সহানুভূতিসূচক মনোভাব লৈছে আৰু আয়োগে অসমৰ স্বাৰ্থ সম্পূৰ্ণভাৱে ৰক্ষা কৰিব বুলিও মোৰ বিশ্বাস।

নিৰ্দেশাৱলী

১৭। ৰাজ্য চৰকাৰৰ লগত আলোচনা নকৰাকৈয়ে কেন্দ্ৰীয় চৰকাৰে নৱম বিত্ত আয়োগৰ নিৰ্দেশাৱলীৰ চূড়ান্ত ৰূপ দিয়ে। এই নিৰ্দেশাৱলীৰ চূড়ান্ত ৰূপ দিয়াৰ সম্পৰ্কত চাৰকাৰিয়া আয়োগে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজত আলোচনাৰ পোষকতা কৰে। এই নিৰ্দেশাৱলী কেন্দ্ৰীয় চৰকাৰৰ পক্ষে অধিক অনুকূলে বুলি আমাৰ ধাৰণা। সেয়ে এই নিৰ্দেশাৱলীৰ সংশোধন বিচাৰি অসমকে ধৰি কেইবাখনো ৰাজ্যই ১৯৮৮ চনৰ জানুৱাৰীত প্ৰধান মন্ত্ৰীক সাক্ষাত কৰে। মই কবলৈ পাই দুখ পাইছো যে ৰাজ্য চৰকাৰৰ মতামত সমূহ কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব সহকাৰে পৰীক্ষা নকৰিলে।

নীতিগত নিৰ্দ্ধাৰণ

১৮। কৰ-ৰাজহ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত আয়োগে গ্ৰহণ কৰা নীতিগত পন্থা (normative approach) ৰাজ্যৰ বাবে প্ৰতিকূল হৈছে। আমাৰ ৩১৫ কোটি টকাৰ আনুমানিক হিচাপৰ বিপৰীতে আয়োগে ১৯৮৯-৯০ চনৰ বাবে ৩৬৭ কোটি টকাৰ ৰাজহ নিৰ্দ্ধাৰণ কৰে। সম্পদ আহৰণৰ ক্ষেত্ৰত অসমৰ সুকীয়া পৰিস্থিতিৰ বিষয়টো নীতিগত নিৰ্দ্ধাৰণৰ সময়ত বিবেচনা কৰা হোৱা নাই। অসম, অৰুণাচল প্ৰদেশ আৰু মিজোৰামৰ দৰে কৰ মুক্ত আৰু নগালেণ্ড, মেঘালয়, মণিপুৰ আৰু ত্ৰিপুৰাৰ দৰে নিম্ন কৰ ব্যৱস্থাৰ অঞ্চলেৰে পৰিবেষ্টিত। জাল লেন দেন আৰু চুবুৰীয়া ৰাজ্যবোৰলৈ হোৱা বানিজ্য গতিৰ ফল স্বৰূপে আমাৰ ৰাজ্যখনৰ কৰ আদায় কৰাৰ সামৰ্থ্য সীমিত হৈ পৰিছে।

প্ৰকৃত সুতৰ বাবদ দেয়

১৯। নৱম বিত্ত আয়োগে মূঠ সুতৰ বোজাৰ বাবদ দিব লগা মঞ্জুৰী উঠাই দিয়াৰ বাবে ৰাজ্য চৰকাৰ কঠিন পৰিস্থিতিৰ সম্মুখীন হৈছে। ১৯৮৮-৮৯ চনৰ নতুনকৈ ঋণ লোৱা আৰু দিয়াৰ বন্দৱস্ত অনুসৰিহে ১৯৮৯-৯০ চনত দিব লগা সাহায্য মঞ্জুৰী দিবলৈ

নৱম বিত্ত আয়োগে অনুমোদন কৰিছে। ১৯৮৯–৯০ চনৰ সময়ছোৱাত প্ৰকৃত সুদৰ বাবদ দিব লগা ধন (net interest liability) ১৪৪ কোটি টকা বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। নৱম বিত্ত আয়োগে আগবঢ়োৱা ১৪০ কোটি টকাৰ ঘাটি মঞ্জুৰীৰে আনকি এই দিব লগাখিনি দিবলৈকে নাটে। সংসদে অষ্টম বিত্ত আয়োগৰ অনুমোদন গ্ৰহণ কৰিছে যদিওই কাৰ্য্যকৰী হোৱা পৰিলক্ষিত হোৱা নাই।

জনসংখ্যা

২০। হস্তান্তৰকৰণ (devolution) ৰ ক্ষেত্ৰত ১৯৭১ চনৰ জনসংখ্যাৰ হিচাপকে গ্ৰহণ কৰিবলৈ ৰাষ্ট্ৰপতিৰ বিজ্ঞপ্তিয়ে আয়োগক নিৰ্দেশ দিছে। সন্মানিত সদনে জানে যে বিশেষকৈ ব্যাপক প্ৰব্ৰজনৰ কাৰণে অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ৰাষ্ট্ৰীয় গড়তকৈ অনেক অধিক। তাকবীয়া সম্পদেৰে এই বৃহৎ সংখ্যক লোকৰ উন্নয়নৰ দায়িত্ব আমাৰ ওপৰত পৰিছে। আনহাতে ১৯৭১ চনৰ জনসংখ্যাৰ ভিত্তিত পাই থকা কম পৰিমাণৰ ৰাজহ হস্তান্তৰ কৰণৰ বাবেই এই ক্ষেত্ৰত কষ্ট পাবলগীয়া হৈছে। আয়োগে অসমৰ ক্ষেত্ৰত ব্যতিক্ৰম ঘটাই এক সুকীয়া ব্যৱস্হা গ্ৰহণৰ সবল যুক্তি আছে। আয়োগ যিহেতু এটা সাংবিধানিক নিকায় সেয়ে নিৰ্দেশাৱলীৰ চৰ্ত্ত আয়োগৰ ক্ষেত্ৰত কঠোৰ ভাবে বাধ্যতামূলক হব নালাগে।

বানপানী

২১। এই বছৰ অভূতপূৰ্বভাবে হোৱা ব্ৰহ্মপুত্ৰৰ বানপানীয়ে ৰাজ্যখনৰ বিস্তৰ ক্ষতি সাধন কৰে। উপৰ্য্যুপৰি হোৱা ৪টাকৈ বানপানীয়ে ৰাইজক অৱৰ্ণনীয় যাতনা ভোগায়। পথাৰৰ শস্যৰ বিস্তৰ ক্ষতি হয়। ৰাজ্য চৰকাৰে সাহায্য, পুনৰুদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ বাবে ভাৰত চৰকাৰৰ পৰা ৭৮৯ কোটি টকা বিচাৰিছিল। কিন্তু ভাৰত চৰকাৰে ৮৫ কোটি টকাতে এই সাহায্যৰ সৰ্ব্বোচ্চ সীমা নিৰ্দ্ধাৰণ কৰে। এই টকাৰ ভিতৰতে আকৌ ৰাজ্যিক ৰাজকোষৰ পৰা দিয়া ২৩ কোটি টকাও অন্তৰ্ভূক্ত হৈ আছে। ইতিমধ্যে কঠিন বিত্তীয় সংকটত জুৰুলা হৈ পৰা অসমৰ বাবে এই টকা যোগাৰ কৰা বৰ কষ্ট সাধ্য হ'ব। এই সন্দৰ্ভতে মই সন্মানিত সদনক জনাব খোজোঁ যে এই বিষয়ত অসমৰ কথাহে অধিক বিবেচনাযোগ্য আছিল যদিও পঞ্জাবৰ বাবেহে বেছি সাহায্য দানৰ কথা ঘোষণা কৰা হ'ল। বানৰ শস্যক্ষতিৰ পৰিমাণ নিৰ্দ্ধাৰণৰ বেলিকা গ্ৰহণ কৰা পদ্ধতিটো ৰোধ কৰা আৱশ্যক। বিত্ত আয়োগৰ ওচৰত আমি এই বিষয়টো উত্থাপন কৰিছো।

বিশেষ সমস্যা

২২। যোৱা তিনিটা বছৰত বান সাহায্য আৰু পুনৰ সংস্থাপনৰ কামত ৰাজ্যখনে নিজস্ব সম্পদৰ পৰাই ৪২ কোটি টকা ব্যয় কৰিব লগীয়া হয়। কেবাখনো ৰাষ্ট্ৰৰ মাজেদি বৈ যোৱা এই নদীখনৰ নিয়ন্ত্ৰণ ৰাজ্যখনৰ সম্পদ আৰু সামৰ্থ্যৰ বাহিৰত । ব্ৰহ্মপুত্ৰৰ বানপানী নিয়ন্ত্ৰণক ৰাষ্ট্ৰীয় সমস্যা হিচাপে লৈ ইয়াৰ সম্পূৰ্ণ দায়িত্ব লবৰ বাবে কেন্দ্ৰীয় চৰকাৰক আমি বাৰম্বাৰ জোৰ দি আহিছো । বান প্ৰতিৰোধ আচঁনি সমূহলৈ কেন্দ্ৰীয় চৰকাৰে শতকৰা ১০০ ভাগ ধ্বণৰ ভিত্তিত সাহায্য দি আহিছে । এই সংক্ৰান্তত দিবলৈ থকা ধ্বণৰ পৰিমাণ হ'ল ১৬৫ কোটি টকা । এই সমূদায় ধ্বণৰ পৰা অব্যাহতি দিয়াৰ বাবে বিত্ত আয়োগক আমি অনুৰোধ জনাইছো । তদুপৰি ব্ৰহ্মপুত্ৰৰ বানপানী অসমৰ এটা বিশেষ সমস্যা হিচাপে গণ্য কৰিবৰ বাবেও বিত্ত আয়োগক ধৰিছো । উল্লেখযোগ্য যে আয়োগে জম্মু আৰু কাশ্মীৰৰ দাল হ্ৰদৰ উন্নয়ন আৰু সংৰক্ষণ বিশেষ সমস্যা হিচাপে গণ্য কৰিছে, অথচ ব্ৰহ্মপুত্ৰৰ বানপানীৰ দৰে জীৱন–মৰণ সমস্যাৱলীক আওকান কৰিছে । আনকি মহাৰাষ্ট্ৰৰ দৰে চহকী ৰাজ্য এখনকো বোম্বাইৰ বস্তি অঞ্চল উন্নয়নৰ অৰ্থে ৫০ কোটি টকা দিছে । পলস পৰি পৰি ব্ৰহ্মপুত্ৰৰ তলি বাম হোৱাৰ ফলত আৰু পাৰিপাৰ্শ্বিক ভাৰসাম্যহীনতাৰ হেতুকে অসমত ক্ৰমানুয়ে বানপানীৰ প্ৰকোপ বৃদ্ধি হোৱাৰ লৈ লক্ষ্য কৰি বৰ্ত্তমানৰ ৭.২৫ কোটি টকাৰ উপান্ত ধনৰ পৰিমান ৬০ কোটি টকালৈ বৃদ্ধি কৰিবৰ বাবে আয়োগক হেঁচা দিয়া হৈছে ।

ধ্বণৰ বোজা

২৩। ৰাজ্য চৰকাৰৰ বাবে এটা গভীৰ উদ্বেগৰ বিষয় হ'ল ধ্বণৰ বৰ্দ্ধিত বোজা । চলিত বছৰৰ শেষত ধ্বণৰ বোজা ৩০৫১ কোটি টকা হবগৈ বুলি অনুমান কৰা হৈছে । ইয়াৰে শতকৰা প্ৰায় ৯০ ভাগ হ'ল ভাৰত চৰকাৰৰ পৰা লোৱা ধ্বণ আৰু অগ্ৰীম ধন যাৰ পৰিমাণ মুঠ ২৭৫১ কোটি টকা । কেন্দ্ৰীয় ধ্বণৰ ৯০ শতাংশই বাৰ্ষিক পৰিকল্পনা সমূহত বিত্ত যোগানৰ বাবে খন্ড পৰ্য্যায়ত দিয়া ধ্বণ । এই ধ্বণৰ পৰিমাণ ১৯৫৩ কোটি টকা । ধ্বণৰ বোজা ১৯৮৯–৯০ চনৰ শেষত ৩৪৭৪ কোটি টকালৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে । ১৯৮৯–৯০ চনৰ শেষলৈ বাৰ্ষিক পৰিকল্পনাৰ বাবে খন্ড ধ্বণৰ পৰিমাণ ২২২৫ কোটি টকা হবগৈ বুলি অনুমান কৰা হৈছে । ইয়াৰ পৰাই প্ৰতীয়মান হয় যে ৰাজ্যখনৰ(১৯৮১ৰ জনসংখ্যা) জনমূৰি ধ্বণগ্ৰস্ততা চলিত বছৰৰ ১৫৩৫ কোটি টকাৰ পৰা অহা বছৰত ১৭৪৬ কোটি টকালৈ বৃদ্ধি পাব।

২৪। চলিত বছৰত ঋণ পৰিশোধ কৰোতে আমি ৩৯১ কোটি টকা ব্যয় কৰিছো। ইয়াৰে ১৭৩ কোটি টকা খৰছ হৈছে মূলধন পৰিশোধ কৰোতে আৰু ২১৮ কোটি টকা খৰছ হৈছে সুত পৰিশোধত। কেৱল ভাৰত চৰকাৰক ঋণ পৰিশোধৰ বাবেই ৩৪৯ কোটি টকাৰ প্ৰয়োজন আৰু ই মুঠ পৰিমাণৰ শতকৰা ৮৯ ভাগ। অহা বছৰত ঋণ পৰিশোধৰ পৰিমাণ ৭৭ কোটি টকালৈ বৃদ্ধি পাই ৪৬৮ কোটি টকা হবগৈ আৰু ইয়াৰে সুতৰ বাবদ দিব লগা হ'ব ২৬৫ কোটি টকা। ভাৰত চৰকাৰক পৰিশোধ কৰিব লগীয়া ঋণৰ পৰিমাণ ৪১৪ কোটি টকালৈ বাঢ়িব বুলি অনুমান কৰা হৈছে। ১৯৮৯–৯০ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে ঋণ হিচাপে পোৱা ৪১০ কোটি টকা আৰু অনুদান হিচাপে পোৱা ২১০ কোটি টকাৰ বিপৰীতে ১৯৮৯–৯০ চনত আমি মূলধন আৰু সুতৰ বাবদ ৪১৪ কোটি টকা পৰিশোধ কৰিব লাগিব। ইয়াৰ পৰাই প্ৰতীয়মান হৈছে যে ৰাজ্যখন ঋণগ্ৰস্ততাৰ ফালে আগবাঢ়িছে। পৰিকল্পনা আচঁনিৰ অধীনত গাথনিগত উন্নয়নত খটুৱা ধনৰ পৰা তৎকালীন সুফল পোৱা নাযায় কাৰণেই ঋণৰ ক্ষেত্ৰত কাৰ্য্যকৰী ৰেহাই দিয়াৰ বাবে বিত্ত আয়োগক হেচা দিছো।

পৰিকল্পনা সাহায্য

২৫। বাৰ্ষিক পৰিকল্পনাৰ বাবে কেন্দ্ৰীয় সাহায্য দান পদ্ধতিৰ বাবেই ঋণৰ ক্ষেত্ৰত ৰাজ্যখনত এনে ভয়লগা অৱস্থাৰ সৃষ্টি হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ কেউখন ৰাজ্যই ৯০ শতাংশ অনুদান হিচাপে পৰিকল্পনা সাহায্য পায়, কিন্তু ৯০ শতাংশই অনুদান হিচাপে পোৱা পাৰ্বত্য পৰিকল্পনাৰ বাদে অসমৰ ক্ষেত্ৰত সেই অনুদানৰ পৰিমাণ ৩০ শতাংশহে। গধুৰ ঋণৰ বোজাই ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিত মাধমাৰ সোধাইছে। যি কেইখন ৰাজ্য এসময়ত অবিভক্ত অসমত জিলা হিচাপে আছিল সেই কেইখনেই আগৰ মূল ৰাজ্যতকৈ অধিক হাৰত কেন্দ্ৰীয় সাহায্য লাভ কৰিছে। পৰিকল্পনা সাহায্যৰ ক্ষেত্ৰত অসমক বিশেষ শ্ৰেণীৰ ৰাজ্য হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে যদিও অসমতকৈ অন্যান্য ৰাজ্যসমূহকহে বিশেষ ৰাজ্য হিচাপে বিবেচনা কৰা দেখা গৈছে। সপ্তম পৰিকল্পনাত অসমৰ বাবে জনমূৰি আবন্টন হৈছে ১৩৭২ টকা, আনহাতে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ ক্ষেত্ৰত এই জনমূৰি আবন্টন ত্ৰিপুৰাৰ বাবে ৩০৪৪ টকাৰ পৰা চিকিমৰ ক্ষেত্ৰত ৮৯৩৭ টকালৈকে তাৰতম্য দেখা যায়। অসমকো উত্তৰ পূৰ্বাঞ্চলৰ অন্যান্য

ৰাজ্য কেইখনৰ লগত সমান পৰিমানৰ কেন্দ্ৰীয় সাহায্য দিবলৈ অনুৰোধ জনাই পৰিকল্পনা আয়োগৰ হাতত আমি এখন স্মাৰক পত্ৰ দাখিল কৰিছো । আমি আশা ৰাখিছো, পৰিকল্পনা আয়োগে আমাৰ এই অনুৰোধ সহানুভূতিৰে বিবেচনা কৰিব । প্ৰসংগক্ৰমে উল্লেখ কৰিব খোজো যে অসমৰ ভৈয়ামৰ জিলা কেইখনত ভৈয়াম জনজাতি, অনুসূচীত জাতি আৰু আন আন পিছপৰা সম্প্ৰদায়ৰ লোকো বাস কৰে আৰু এই লোকসকল চুবুৰীয়া পাহাৰীয়া ৰাজ্য কেইখনৰ তেওঁলোকৰ ভাই-ভনী সকলতকৈ কোনো ক্ষেত্ৰতে অধিক আগবঢ়া নহয়।

পূৰ্বৰ ঋণৰ বোজা

**২৬। মই সদনৰ দৃষ্টিগোচৰ কৰিব খোজো যে পূৰ্বৰ চৰকাৰৰ দিনৰে ৯৩ কোটি টকাৰ ঋণৰ বোজাও বৰ্ত্তমান চৰকাৰে বহন কৰিবলগীয়া হৈছে । অসম সমবায় বেচা–কিনা আৰু গ্ৰাহক ফেডাৰেচনে খাদ্য সাহায্য আৰু আন আন কামত ১৯৮০ ৰ পৰা ১৯৮৫ ৰ সময়ছোৱাত ৬৭ কোটি টকা পৰিশোধৰ দায়িত্ব বহন কৰিব লগা হয় । দেয় ধনৰ পৰিমাণ অনেক বেছি হৈ পৰাৰ বাবে ১৯৮৬ চনত ভাৰতীয় ৰিজাৰ্ভ বেংকে খাদ্য ঋণ বন্ধ কৰি দিয়ে । আমি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ লগত কেইবালানিও আলোচনাত বহিছিলো । ১৯৮৯ চনৰ জানুৱাৰী মাহৰ পৰা সমপৰিমাণৰ মাহেকীয়া কিস্তিত পূৰ্ব্বৰ দেয় ধন পৰিশোধ কৰা হ'ব বুলি এক বুজাবুজি হোৱাত ১৯৮৯ ৰ জানুৱাৰীত পুনৰ খাদ্য ঋণ দিবলৈ আৰম্ভ কৰে । ইয়াৰ উপৰিও ১৯৭৯–৮৫ ৰ সময়ছোৱাত কেন্দ্ৰীয় আৰু আন আন ৰাজ্যৰ আৰক্ষী বাহিনী নিয়োগকৰণৰ বাবে ভাৰত চৰকাৰ আৰু আন আন ৰাজ্য চৰকাৰ সমূহক ২৬ কোটি টকা দিব লগা হৈ আছে । বিত্তীয় নাটনিৰ বাবেই আমি এই দেয় ধন পৰিশোধ কৰিব পৰা নাই ।**

অৰ্থনীতি

২৭। এতিয়া আমি ৰাজ্যখনৰ অৰ্থনীতিৰ ওপৰত দৃষ্টিপাত কৰো আহক । অভূতপূৰ্ব বানপানীয়ে সামগ্ৰিকভাবে অৰ্থনীতি, বিশেষকৈ কৃষি খণ্ডৰ ওপৰত এক সৰ্বনাশী প্ৰভাব পেলায় । শৰৎকালীন ধান খেতিত উৎপাদন বৃদ্ধি কৰিববলৈ সংগঠিত ফলপ্ৰসূ ব্যৱস্হা লোৱাতৰাজ্য চৰকাৰ সমৰ্থ হৈছিল যদিও, শীতকালীন ধানৰ উৎপাদন ব্যাহত হয় । আগৰ বছৰৰ ৪.১৪ লাখ টনৰ বিপৰীতে ১৯৮৮–৮৯ চন বছৰটোত শৰৎকালীন ধানৰ উৎপাদন ৪.২৫ লাখ টন হব বুলি অনুমান কৰা হৈছে। আনহাতে শীতকালীন ধানৰ উৎপাদন আগৰ বছৰৰ ২২ লাখ টনৰ পৰা এইবেলি ১৯ লাখ টনলৈ হ্ৰাস পাইছে ।

সংকেতক

২৮। দ্রুত হিচাপ অনুসৰি চলিত মূল্যত ৯.২ শতাংশ বৃদ্ধিৰে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (ভিত্তি ঃ ১৯৮০–৮১) ১৯৮৬–৮৭ চনৰ (অস্থায়ী) ৫৪৭৫.৫ কোটি টকাৰ পৰা ১৯৮৭–৮৮ চনত (দ্রুত হিচাপ) ৫৯৭৭.৮ কোটি টকালৈ বৃদ্ধি পায়। স্থিৰ মূল্য (১৯৮০–৮১) ত ৫.২ শতাংশ বৃদ্ধিৰে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৮৬–৮৭ চনৰ (অস্থায়ী) ৩৩৩৫.৯ কোটি টকাৰ পৰা ১৯৮৭–৮৮ চনত (দ্রুত হিচাপ) ৩৫০৮.১ কোটি টকালৈ বৃদ্ধি পায়। সেই একেই সময়ছোৱাত ১৯৮৬–৮৭ চনৰ (অস্থায়ী) ২৪২০ টকাৰ পৰা ১৯৮৭–৮৮ চনত ২৫৮৩ টকা (দ্রুত হিচাপ) লৈ বৃদ্ধি হৈ চলিত মূল্যত জনমূৰি মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ৬.৭ শতাংশ বৃদ্ধি পায়। স্থিৰ মূল্যত (১৯৮০–৮১) ২.৮ শতাংশ বৃদ্ধি দেখুৱাই জনমূৰি মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৮৬–৮৭ (অস্থায়ী) চনৰ ১৪৭৪ টকাৰ পৰা ১৯৮৭–৮৮ চনত ১৫১৬ টকালৈ বৃদ্ধি পায়।

মৰগীয়া বানচ

২৯। জীৱন নির্বাহ ব্যয় (cost of living) ক্রমে বৃদ্ধি পাই অহাৰ হেতুকে চৰকাৰী কর্মচাৰী সকলক মৰগীয়া বানচ বাবদ দিব লগা হোৱাৰ কাৰণে ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিৰ ওপৰত গভীৰ হেচা পৰে। এই বছৰত মৰগীয়া বানচৰ ১১ টা কিস্তি দিয়া হয় আৰু ইয়াৰ বাবদ হোৱা ব্যয়ৰ পৰিমাণ ৬৮ কোটি টকা। সেইদৰে দৰমহাৰ বাবদ হোৱা ব্যয়ৰ পৰিমাণো এই বছৰত ৬৭৫ কোটি টকা লৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে।

বার্ষিক পৰিকল্পনা (১৯৮৯–৯০)

৩০। ১৯৮৯–৯০ চনৰ বছৰটো সপ্তম পৰিকল্পনাৰ শেষ বছৰ। সপ্তম পৰিকল্পনাৰ বাবে ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদে ২১০০ কোটি টকা অনুমোদন কৰিছিল। সম্প্রতি এই পৰিমাণ ২৭৩০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। চলিত বছৰৰ বার্ষিক পৰিকল্পনা আবন্টন ৬১০ কোটি টকাৰ তুলনাত ১৯৮৯–৯০ চনৰ বার্ষিক পৰিকল্পনাৰ বাবে ৬৩৫ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ১৯৮৯ চনৰ পৰিকল্পনাৰ বাবে সমুদায় ধন ভাৰত চৰকাৰে দিব। পার্বত্যাঞ্চলৰ বাবে ধাৰ্য্য কৰা ৪৪.২৩ কোটি টকা, জনজাতীয় উপ–পৰিকল্পনাৰ ৬৪.৩৫ কোটি টকা আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনাৰ ৩৩ কোটি টকাও ইয়াত অন্তর্ভূক্ত হৈ আছে। চলিত বছৰৰ ৩২.১৯ কোটি টকা আবন্টনৰ বিপৰীতে সংযোজ্য (additive) পার্বত্য পৰিকল্পনাৰ বাবে ৩৪.৬৪ কোটি টকা অতিৰিক্ত আবন্টন কৰা হৈছে। চলিত বছৰত পূৰ্বোত্তৰ পৰিষদৰ আঁচনি সমূহৰ বাবে ১৫.০৪ কোটি টকাৰ আবন্টন থাকিব। কেন্দ্ৰীয় খণ্ড আৰু কেন্দ্ৰীয় পৃষ্ঠপোষকতাত আঁচনি ৰ আবন্টন ২৩৮ কোটি টকা।

খণ্ড আৱণ্টন

৩১। ৰাজ্যিক পৰিকল্পনাৰ ভিতৰত সমাজ সেৱা আৰ্চনিতে সৰ্বাধিক ২৪.৪৬ শতাংশ টকা আবন্টন কৰা হৈছে আৰু ইয়াৰ পৰিমান ১৫৫.৩৩ কোটি টকা। ইয়াৰ পিছতেই ২৩.৪২ শতাংশ আবন্টন কৰি বিদ্যুৎখণ্ডত প্ৰাধান্য দিয়া হৈছে আৰু এই আবন্টনৰ পৰিমান ১৪৮.৭৭ কোটি টকা। কৃষি খণ্ডত ৯৬.৬৭ কোটি টকা, জলসিঞ্চনত ৬৭ কোটি টকা, উদ্যোগত ৫০.২০ কোটি টকা আৰু পৰিবহনত ৪৮.৮৭ কোটি টকা আবন্টন দিয়া হৈছে। গ্ৰমোন্নয়নৰ বাবে আবন্টন হ'ল ২৪.৭৭ কোটি টকা।

ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান

৩২। ৰাজ্য চৰকাৰৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ কামকাজ উদ্বেগৰ বিষয় হৈ পৰিছে। এই প্ৰতিষ্ঠান সমূহৰ কামকাজ সন্তোষজনক নোহোৱাই নহয়, হিচাপ–পত্ৰ পাবলৈয়ো বাকী আছে। ৰাজ্যখনৰ ৪৪ টা এনে প্ৰতিষ্ঠানৰ ভিতৰত ৩৪ টা প্ৰতিষ্ঠানৰ পৰাহে হিচাপ পোৱা গৈছে আৰু এই হিচাপো ১৯৮৬–৮৭ চনলৈকেহে। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত চৰকাৰে বিনিয়োগ কৰা ধনৰ পৰিমান ১৯৮০–৮১ চনৰ ৪৮৩ কোটি টকাৰ পৰা ১৯৮৭–৮৮ চনত ১১৪৬ কোটি টকালৈ বৃদ্ধি পায়। ইয়াৰ বিনিময়ত কেৱল বিদ্যুৎ পৰিষদৰ পৰা সুতৰ বাবদ পাবলগা হৈ থকা ৪০৮ কোটি টকাকে ধৰি এই প্ৰতিষ্ঠানবোৰৰ পৰা হোৱা চৰকাৰৰ লোকচানৰ পৰিমান হ'ল ৭৩০ কোটি টকা। বিদ্যুৎ পৰিষদ, পথ পৰিবহন নিগম আৰু চাহ নিগমত হোৱা লোকচানৰ পৰিমানেই অধিক। ৰাজহুৱা খণ্ডবিলাকৰ কৰ্মীৰ সংখ্যা আছিল ১৯৮০–৮১ চনত ৪৮,১৬৮ জন। ১৯৮৬–৮৭ চনত ৫৩,৩৬০ জনলৈ বৃদ্ধি পায়।

বিদ্যুৎ পৰিষদ

৩৩। ৰাজ্য চৰকাৰক সুতৰ বাবদ দিবলগীয়া ১১৭ কোটি টকা আৰু ২৯ কোটি টকাৰ মূল্য হ্ৰাস (depreciation) বাদ দিলেও বিদ্যুৎ পৰিষদৰ কাম–কাজৰ ফলাফলে ১৯৮৯–৯০ চনৰ সমৱহোৱাত মুঠ ৯১ কোটি টকাৰ প্ৰকৃত ব্যৱধান দেখুৱাইছে। ১৯৮৯–৯০ চনৰ বাবে বিদ্যুৎ পৰিষদৰ পৰিকল্পনাত ১৪৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ বাবে ৰাজ্য চৰকাৰৰ পৰা ঋণ হিচাপে ৫৯ কোটি, বজাৰ ঋণৰ পৰা ৬২ কোটি আৰু অন্যান্য প্ৰতিষ্ঠানিক ঋণ হিচাপে ২৭ কোটি টকা লোৱা হ'ব। ১৯৮৭–৮৮ চনলৈকে ৰাজ্য চৰকাৰে ঋণ হিচাপে বিদ্যুৎ পৰিষদত ৭৪৭ কোটি টকা বিনিয়োগ কৰিছে। ৰাজ্য চৰকাৰক সুতৰ বাবদ দিবলগীয়া টকা বাদ দি বিদ্যুৎ পৰিষদৰ ১৯৮৬–৮৭ চনৰ

সময়ছোৱাত হোৱা লোকচানৰ পৰিমাণ আছিল ১৯৫ কোটি টকা। বিদ্যুৎ পৰিষদে ঋণৰ বাবদ ৰাজ্য চৰকাৰক পৰিশোধ কৰিবলগীয়া সুতৰ পৰিমানেই হ'ল ৪০৮ কোটি টকা। গ্ৰাম্য বৈদ্যুতিকৰণ আৰ্চনিত হোৱা লোকচানৰ বাবে ১৯৮৯–৯০ চনলৈকে বিদ্যুৎ পৰিষদে ৩২৪ কোটি টকাৰ সাহায্য দাবী কৰিছে। ৰাজ্য চৰকাৰে বিষয়টো বিত্ত আয়োগৰ ওচৰত উত্থাপন কৰিছে। বিদ্যুৎ পৰিষদৰ অধিক পৰিমাণৰ ঋণ–ব্যয়ৰ বিষয়টো গভীৰভাবে পৰীক্ষা কৰি চোৱাৰ আৱশ্যক হৈ পৰিছে। আমাৰ ৰাজ্যখনৰ বিদ্যুৎ কৰৰ নিৰিখ দেশৰ ভিতৰতেই অন্যতম সৰ্বাধিক। তেনে ক্ষেত্ৰত ইয়াক আৰু অধিক বৃদ্ধি কৰাৰ থল সম্ভৱ নাই।

পৰিষদৰ ঋণ

৩৪। ভাৰত চৰকাৰৰ পৰা পোৱা আন এটা আপত্তিজনক পৰামৰ্শৰ কথা মই সন্মানিত সদস্য সকলৰ দৃষ্টি গোচৰ কৰিব খুজিছো। ভাৰত চৰকাৰে জনাইছে যে বিদ্যুৎ পৰিষদে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠানবোৰক দিব লগা ধন পৰিকল্পনা সাহায্যৰ বিপৰীতে হিচাপত ধৰিব লাগে। এই বিষয়টো যোৱা মাহত অনুষ্ঠিত হোৱা মুখ্যমন্ত্ৰী সন্মিলনত আলোচনা কৰা হৈছিল। এনে ধৰণৰ আন্তঃ সংস্থা বিবাদত চৰকাৰ জড়িত হোৱা উচিত নহয় বুলি ভাৰত চৰকাৰক প্ৰতীয়ন নিয়াব খোজো। সমস্যাবোৰ বাছি উলিওৱাৰ ক্ষেত্ৰত আমি সহযোগিতা আগবঢ়াবলৈ আগ্ৰহী আৰু সেইবাবেই এই ক্ষেত্ৰত আমি যিকোনো ধৰণৰ লঘু সমাধানৰ বিৰোধিতা কৰো। বিদ্যুৎ পৰিষদে কিছুমান দাবীৰ বিৰোধিতা কৰিছে। আমাৰ একান্ত ইচ্ছা যে ভাৰত চৰকাৰে এই সন্দৰ্ভত একপক্ষীয় ভাবে সিদ্ধান্ত গ্ৰহণ নকৰিব। পৰিকল্পনা আয়োগে কেন্দ্ৰীয় পৰিকল্পনা সাহায্য নিৰ্দ্ধাৰণ কৰে আৰু ইয়াত ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদে অনুমোদন দিয়ে। সেয়ে আন কিছুমান দেয়ৰ বিপৰীতে পৰিকল্পনা সাহায্যক মিলাই দিয়াতো ঠিক নহব।

পথ পৰিবহন

৩৫। পথ পৰিবহন নিগমৰ কাম–কাজবোৰো সন্তোষজনক নহয়। ১৯৮৮–৮৯ চনলৈকে ৰাজ্য চৰকাৰে অংশ–মূলধন হিচাপে ৫২ কোটি টকা বিনিয়োগ কৰিছে। ১৯৮৬–৮৭ চনলৈকে নিগমে ৪০ কোটি টকাৰ লোকচান ভৰে। নিগমৰ ১৯৮৯–৯০ চনৰ কাম–কাজৰ ফলাফলে ১.৫ কোটি টকাৰ এটা ব্যৱধান দেখুৱাইছে। ১৯৮৯–৯০ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা টকাৰ পৰিমান হ'ল প্ৰায় ৯ কোটি আৰু এই টকা অংশ–মূলধন হিচাপে চৰকাৰে যোগান ধৰিব।

চাহ নিগম

৩৬। ১৯৮৫–৮৬ চনলৈকে ৰাজ্য চৰকাৰে চাহ নিগমত ১৩ কোটি টকা বিনিয়োগ কৰে। কিন্তু নিগমে ১৯৮৬–৮৭ চনলৈকে লোকচানৰ পৰিমাণ ২৫ কোটি টকাতে ৰাখে। নিগমে নিযুক্তি দিয়া লোকৰ সংখ্যা হ'ল ১৫১১৭৬ জন। এনেধৰণে চলি থকা নিগমৰ অৱস্থা চৰকাৰৰ বাবে এক গুৰুতৰ সমস্যা হৈ পৰিছে। চৰকাৰে কৃষি আৰু গ্ৰামোন্নয়নৰ ৰাষ্ট্ৰীয় বেংক (NABARD) আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ সহযোগত নতুনকৈ প্ৰায় ১২ কোটি টকা পৰিমাণৰ ধন বিনিয়োগ কৰি নিগমক পুনৰ উজ্জীৱিত কৰি তোলাৰ ব্যৱস্থা লৈছে।

দৰমহা আয়োগ

৩৭। চৰকাৰী কৰ্মচাৰীৰ কল্যাণ সাধন ৰাজ্য চৰকাৰৰ এক প্ৰধান কৰ্ত্তব্য। ১৯৮৮ চনৰ মে' মাহৰ পৰা দৰমহা আয়োগে কাম আৰম্ভ কৰিছে আৰু ১৯৮৯–৯০চনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব বুলি আশা কৰা হৈছে। দৰমহাৰ নিৰিখ সংশোধনৰ বাবে হব লগা ব্যয় বহনৰ বাবে ১৯৮৯–৯০ চনৰ বছৰটোত আমি ১৮০ কোটি টকাৰ ব্যৱস্থা ৰাখিছো। বিত্ত আয়োগৰ সহায় অবিহনে আমাৰ পক্ষে এই অতিৰিক্ত বোজা বহন কৰাটো সম্ভৱপৰ নহব। বিত্ত আয়োগে দৰমহা সংশোধনৰ বাবদ ১৯৮৯–৯০ চনৰ বাবে কোনো ধৰণৰ ব্যৱস্থা নৰখাৰ হেতুকে আমাৰ ইতিমধ্যে ভালেখিনি ক্ষতি হৈছে। ১৯৯০–৯৫ চনৰ সময়ছোৱাৰ বাবে বিত্ত আয়োগে যথোপযুক্ত ব্যৱস্থা ৰাখিব বুলি আমি আন্তৰিকতাৰে আশা ৰাখিছো। চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ, মনিপুৰ, ত্ৰিপুৰা, মিজোৰাম আৰু মেঘালয়ে দৰমহা সংশোধন কৰাৰ পৰিপ্ৰেক্ষিতত আমিও এক এৰাব নোৱাৰা পৰিস্থিতিৰ সন্মুখীন হৈছো। তদুপৰি, ৰাজ্য চৰকাৰে ১৯৮৬ চনৰ জানুৱাৰীৰ পৰা বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে নিৰ্দ্ধাৰণ কৰা নিৰিখত শিক্ষক সকলক বেতন দিয়াৰ ব্যৱস্থা কৰিছে। এই ক্ষেত্ৰত দিব লগা হৈ থকা অনাদায় টকা ১৯৮৯–৯০ চনৰ ভিতৰত দিয়া হ'ব আৰু ইয়াৰ বাবদ বাজেটত ১৬ কোটি টকাৰ ব্যৱস্থা ৰখা হৈছে। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে ১৯৮৯–৯০ চনলৈকেহে ইয়াৰে ৮০ শতাংশ ব্যয় পূৰণ কৰিব; কিন্তু তাৰ পিছৰ পৰা এই বোজা সম্পূৰ্ণ ভাবে ৰাজ্য চৰকাৰৰ কান্ধতেই পৰিব।

ভবিষ্যনিধি

৩৮। মহাগাণনিক কাৰ্য্যালয়ত ৰখা চৰকাৰী কৰ্মচাৰীৰ ভৱিষ্যনিধিৰ হিচাপৰ খতিয়ানো সন্তোষজনক নহয়। মহাগাণনিক কাৰ্য্যালয়ে চৰকাৰী কৰ্মচাৰীৰ ১৯৮৬–৮৭ আৰু ১৯৮৭–৮৮ চনৰ হিচাবৰ বিৱৰণ এতিয়াও দাখিল কৰা নাই। ১৯৮৫–৮৬ আৰু ১৯৮৬–৮৭ চনৰ

ভৱিষ্যনিধিৰ হিচাবত ঋণাত্মক উদ্বৃত্তহে (negative balance) দেখুৱাইছে। অৰ্থাৎ এই সময়ছোৱাত জমা দিয়াতকৈ উঠাই লোৱা জমা ধনৰ পৰিমাণহে অধিক বৃদ্ধি দেখুওৱা হৈছে । এই কথাটো সম্ভৱেই হব নোৱাৰে । সম্পদ বিষয়ক আলোচনাত মহাগাণনিকে দিয়া ভৱিষ্যনিধিৰ উদ্বৃত্তৰ (provident fund balance) হিচাপ পৰিকল্পনা আয়োগে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে । মই এই সুযোগতে মহাগাণনিকক ভৱিষ্যনিধিৰ সকলো হিচাপ শুদ্ধকৈ ৰাখিবলৈ অনুৰোধ জনালোঁ ।

ৰিজাৰ্ভ বেংক অব ইণ্ডিয়া আৰু মহাগাণনিক

৩৯। আনহাতে মহাগাণনিক আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে দাখিল কৰা ঘাটি হিচাপৰ তাৰতম্যও ৰাজ্য চৰকাৰ উদ্বিগ্ন হোৱাৰ আন এটা কাৰণ । মহাগাণনিকে ১৯৮৭–৮৮ চনৰ বাবে ( - ) ১১৪ কোটি টকাৰ সামৰণি উদ্বৃত্ত দেখুৱাইছে। আনহাতে ভাৰতীয় ৰিজাৰ্ভ বেংকে দেখুৱাইছে (-) ১২৮ কোটি টকা । ১৯৮৬–৮৭ চনত এই তাৰতম্য আছিল ইয়াতকৈ অধিক । সামৰণি উদ্বৃত্ত ৰিজাৰ্ভ বেংকে ( - ) ৮০ কোটি টকা দেখুৱাইছে, আনহাতে মহাগাণনিকে দেখুৱাইছে ( - ) ১৬৬ কোটি টকা।

১৯৮৫–৮৬ চনৰ বাবে ৰিজাৰ্ভ বেংকে দেখুওৱা সামৰণি উদ্বৃত্ত ( - ) ১১ কোটি টকা, আনহাতে মহাগাণনিকক দেখুৱাইছে ( - ) ৩১ কোটি টকা । ৰিজাৰ্ভ বেংক আৰু মহাগাণনিকে দাখিল কৰা সামৰণি উদ্বৃত্তত উপৰ্য্যুপৰি দেখা দিয়া তাৰতম্যাই ৰাজ্য চৰকাৰক অতিশয় বিব্ৰত কৰি তুলিছে । সম্পদ গণনাৰ ক্ষেত্ৰত ভাৰত চৰকাৰে কেৱল ৰিজাৰ্ভ বেংকৰ হিচাপ (figure) গ্ৰহণ কৰে । আমি ঐকান্তিকভাবে আশা কৰো যে ৰিজাৰ্ভ বেংক আৰু মহাগাণনিকে হিচাপৰ ক্ষেত্ৰত থকা দীৰ্ঘদিনীয়া খেলিমেলি নোহোৱা কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব ।

কেন্দ্ৰীয় বাজেট

৪০। যোৱা মাহত উত্থাপন কৰা কেন্দ্ৰীয় বাজেটেও সামগ্ৰিকভাবে ৰাজ্যসমূহৰ সম্পদ অধিক ক্ষতিগ্ৰস্ত কৰিলে । চাৰকাৰীয়া আয়োগ আৰু পূৰ্বৰ বিত্ত আয়োগ সমূহৰ অনুমোদনৰ বিপৰীতে সাধাৰণতে বিভাজ্য পুঁজিৰ (divisible pool) বাহিৰত ৰখা আয় কৰৰ ওপৰত লগোৱা ওপৰঞ্চি কৰ কিবা নহয় কিবা ৰূপত বাহাল আছেই । লোহা আৰু কয়লাৰ প্ৰয়োগ মূল্য (administered price) এই বছৰত বঢ়োৱা হৈছে । এই বৃদ্ধিৰ পৰা সংগ্ৰহ হোৱা ধনৰ অংশ ৰাজ্য সমূহক দিয়া নহয় । ভাৰত চৰকাৰে আৱকাৰী শুল্কৰ পৰিবৰ্ত্তে প্ৰয়োগ মূল্যৰ জৰিয়তে সম্পদ বৃদ্ধিৰ পথ অৱলম্বন কৰিছে । তদুপৰি যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা খাবুৱা তেলৰ ওপৰত

লগোৱা তেল উন্নয়ন উপ-কৰ টনে প্ৰতি ৬০০ টকাৰ পৰা ৯০০ টকালৈ বঢ়োৱা হৈছে । ইয়াৰ পৰা হোৱা প্ৰায় ৩০০ কোটি টকাৰ অতিৰিক্ত আয়ো বিভাজ্য পুঁজিৰ বাহিৰত থাকিব । উল্লেখযোগ্য যে চাৰকাৰীয়া আয়োগেও কেন্দ্ৰীয় চৰকাৰে উপ-কৰ আৰু প্ৰয়োগ মূল্যৰ জৰিয়তে সম্পদ বৃদ্ধি কৰাৰ বিৰুদ্ধেহে মত প্ৰকাশ কৰিছে ।

ৰাজহ

৪১। কৰ-ৰাজহৰ ক্ষেত্ৰত এক আশাব্যঞ্জক উন্নতি পৰিলক্ষিত হৈছে । চলিত বছৰৰ ২৬৬ কোটি টকা পৰিমাণৰ কৰ ৰাজহৰ ঠাইত অহা বছৰটোত ৩১৫ কোটি লৈ বৃদ্ধি পাব বুলি ভবা হৈছে । বিক্ৰী কৰ আমাৰ কৰ-ৰাজহৰ ঘাই উৎস । বিক্ৰীকৰৰ সংগ্ৰহো উৎসাহজনক হৈ আছে ।ইয়াৰ সংগ্ৰহ ১৯৮৬-৮৭ চনত ১৪৮ কোটি টকাৰ পৰা বাঢ়ি ১৯৮৭-৮৮ চনত ১৬৯ কোটি টকা হয় । চলিত বছৰত ১৮৩ কোটি টকা আৰু ১৯৮৯-৯০ চনৰ সময়ছোৱাত ২২৭ কোটি টকা হব বুলি ভবা হৈছে । কিন্তু কৃষি আয়কৰৰ গতি ১৯৮৬-৮৭ চনৰ পৰা নিম্নমূখী হোৱা দেখা গৈছে ।এই ৰাজহ ১৯৮৬-৮৭ চনৰ ৬২ কোটি টকাৰ পৰা ১৯৮৭-৮৮ চনত ২৫৮৮ কোটি টকালৈ কমে । চলিত আৰু অহা বছৰত ইয়াৰ পৰিমাণ ৩০ কোটি টকাৰ পৰ্য্যায়লৈ আহিব বুলি ভবা হৈছে ।

১৯৮২-৮৪ চনত গুৱাহাটী আৰু কলিকতাৰ নীলাম বজাৰত চাহৰ দাম হঠাৎ বৃদ্ধি পোৱাত ১৯৮৬-৮৭ চনত ৰাজহৰ পৰিমাণ অপ্ৰত্যাশিত ভাবে বৃদ্ধি পায় । কিন্তু পিছত চাহৰ দাম কমি যায় । চলিত আৰু যোৱা বছৰত হোৱা ভয়ানক বানপানী আৰু ১৯৮৬ চনৰ ঔদ্যোগীক নীতিৰ অধীনত ৰেহাই মজুৰ কৰিব লগা হোৱাৰ বাবে বিক্ৰী কৰৰ ৰাজহ বৃদ্ধি বাধাগ্ৰস্ত হয় ।

ক্ষুদ্ৰ সঞ্চয়

৪২।যোৱা কেইবছৰত ক্ষুদ্ৰ সঞ্চয়ৰ সংগ্ৰহ (প্ৰকৃত) ৰ দিশত এক উল্লেখযোগ্য বৃদ্ধি পৰিলক্ষিত হৈছে । ১৯৮৬-৮৭ চনত হোৱা ৬৫ কোটি টকাৰ সংগ্ৰহ ১৯৮৭-৮৮ চনত ৭৩ কোটি টকালৈ বৃদ্ধি পায় আৰু এই সংগ্ৰহৰ পৰিমাণ এই বছৰৰ জানুৱাৰী মাহলৈকে ১০৬ কোটি টকা হয় । মাননীয় সদস্যসকলে জানে যে যিহেতু কেন্দ্ৰীয় চৰকাৰে সংগৃহীত ধনৰ ৭৫ শতাংশ ৰাজ্য চৰকাৰলৈ ঋণ হিচাপে আগবঢ়ায়, সেয়ে মই ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় সঞ্চয় সংস্থাৰ আঞ্চলিক সঞ্চালক আৰু ক্ষুদ্ৰ সঞ্চয়ৰ সঞ্চালকক ক্ষুদ্ৰ সঞ্চয়ৰ সংগঠনৰ ক্ষেত্ৰত কৰা প্ৰশংসনীয় কামৰ বাবে এই সুযোগতে তেওঁলোকৰ শলাগ লওঁ ।

পৰিকল্পনা বহিৰ্ভূত ব্যয়

৪৩। ১৯৮৭ চনৰ পৰিকল্পনা বহিৰ্ভূত ব্যয় ১১৫৪ কোটি টকাৰ পৰা চলিত বছৰত (সংশোধিত) ১২৫১ কোটি টকালৈ বৃদ্ধি পায় আৰু ১৯৮৯–৯০ চনত ১৫২১ কোটি টকালৈ বাঢ়িব বুলি অনুমান কৰা হৈছে। ঋণ পৰিশোধ (৮৩ কোটি টকা ) কৰা আৰু দৰমহা (২৩৩ কোটি টকা) দিওঁতে হোৱা ব্যয়ৰ বাবেই এই বৃদ্ধি পায় । ১৯৮৯–৯০ চনত ৫০.২ শতাংশ পৰিকল্পনা বহিৰ্ভূত ব্যয় বহন কৰিব লাগিব দৰমহা আৰু পেঞ্চন (৭৬৪.২কোটি টকা) দিওঁতে আৰু ৩০.৮৬ শতাংশ ব্যয় কৰিব লাগিব ঋণ পৰিশোধ (৪৬৯.৬ কোটি টকা) কৰোতে । এই দৰেই দৰমহা, পেঞ্চন আৰু ঋণ পৰিশোধৰ বাবদ পৰিকল্পনা বহিৰ্ভূত বাজেটৰ ৮১ শতাংশ ব্যয় হয় । বিভাগ অনুসৰি সৰ্বাধিক ব্যয় হয় শিক্ষাত ২৭৪.৬ কোটি টকা.। তাৰ পিচতে পুলিচ বিভাগত ১৩৩ কোটি টকা, গড়–কাপ্তানি বিভাগত ৬৩ কোটি টকা আৰু স্বাস্থ্য বিভাগত ৫৪.৬ কোটি টকা ।

৪৪।১৯৮৭–৮৮ চনৰ সৰ্বমুঠ ১৭৯৪ কোটি টকাৰ পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয় (প্ৰকৃত) চলিত বিত্তীয় বছৰত (সংশোধিত) ১৯৪৩ কোটি টকালৈ বৃদ্ধি পায় আৰু ১৯৮৯–৯০ চনত ই ২৩৪৭ কোটি টকা হ'বগৈ বুলি অনুমান কৰা হৈছে । পৰিকল্পনাৰ বাবদ ধৰা ব্যয় মুঠ ব্যয়ৰ ৩৬ শতাংশ ।

আয়

৪৫। একত্ৰিত নিধিত ১৯৮৭–৮৮ চনৰ ১৭০৩ কোটি টকাৰ সৰ্বমুঠ আয় চলিত বছৰত (সংশোধিত) ১৮৮৭ কোটি টকালৈ বৃদ্ধি পায় আৰু অহা বছৰত ২১১৬ কোটি টকা হ'বগৈ । ১৯৮৭–৮৮ চনত আয়ৰ শিতানত আমাৰ নিজা সম্পদৰ বৰঙনি হ'ল ২৪ শতাংশ । চলিত বছৰ আৰু অহা বছৰত ই ২২ শতাংশলৈ কমিল । আমাৰ নিজা ৰাজহৰ শিতানলৈ তেল ৰয়েল্‌টিৰ বৰঙণি ২০ শতাংশ আৰু ৰাজ্যিক কৰৰ বৰঙণি হ'ল ৬৭ শতাংশ ।

বাজেট : (১৯৮৯–৯০)

৪৬। ১৯৮৯–৯০ চনৰ লেনদেনত ২১৫ কোটি টকাৰ এক বৃহৎ পৰিমাণৰ ঘাটি দেখা যায় । কৰ্মচাৰী সকলৰ বেতনৰ নিৰিখ সংশোধনীৰ বাবে ধৰিব লগীয়া হোৱা ১৮০ কোটি টকাও উক্ত ঘাটিৰ কে মোটা অংশ। ১৫৮ কোটি টকাৰ আৰম্ভণী ঘাটিকে (ৰিজাৰ্ভ বেংকৰ মতে ১৭২ কোটি টকা ) ধৰি ৩৭৩ কোটি টকাৰ (ৰিজাৰ্ভ বেংকৰ মতে ৩৮৭ কোটি)

ঘাটিৰে বছৰটোৰ সামৰণি পৰিব । যদিহে আমি বিদ্যুৎ পৰিষদ আৰু পথ পৰিবহন নিগমৰ পৰিকল্পনা বহিৰ্ভূত ব্যৱধান পূৰণৰ বাবে ব্যৱস্থা ললোহেতেন তেনেহলে এই ঘাটি আৰু ১০০ কোটিলৈ অধিক বৃদ্ধি পালেহেতেঁন । ১ নম্বৰ পৰিশিষ্টত সংক্ষেপতে লেনদেনৰ ছবি দাঙি ধৰা হৈছে । আমাৰ বিত্তীয় পৰিস্থিতিৰ এনে শোচনীয় অৱনতিৰ বাবে আমি উদ্বিগ্ন হৈছো । সেয়ে ৰাজ্যখনে বহন কৰিব পৰাকৈ অতিৰিক্ত সম্পদ আহৰণ কৰাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ ।

কৰ ৰাজহ

৪৭। এতিয়া মই সম্পদ আহৰণৰ প্ৰস্তাৱ সমূহৰ কথালৈ আহো। সংবিধানৰ ২৭৬ ধাৰাৰ অধীনত বৃত্তি কৰৰ সীমা স্থিৰ কৰা আছে । সংবিধানৰ ৬০ তম সংশোধনীৰ দ্বাৰা ইয়াৰ পৰিমাণ বছৰি ২৫০ টকাৰ পৰা ২৫০০ টকালৈ বঢ়োৱা হৈছে আৰু ইয়াক ১৯৮৮ চনৰ ডিচেম্বৰ মাহৰ পৰা বলবৎ কৰা হৈছে । ১৯৭৯ চনৰ পৰাই অতিৰিক্ত সম্পদ আহৰণ কৰাৰ বাবে প্ৰায় আটাইকেইখন ৰাজ্যই এই সুযোগ কামত খটুৱাইছে । জীৱন ধাৰণৰ খৰছৰ প্ৰতি লক্ষ্য ৰাখি বাৰ্ষিক উপাৰ্জনৰ ওপৰত থকা কৰ ৰেহাই ৮000 হেজাৰ টকাৰ পৰা ১0,000 হেজাৰ টকালৈকে বঢ়োৱা হৈছে । তাৰোপৰি ১২,000 হেজাৰ টকাৰ বছৰি আয় হোৱা নিম্ন বেতনভোগী কৰ্মচাৰী সকলৰ ক্ষেত্ৰত বৃত্তিকৰ বছৰি ৫0 টকাতে ৰখাৰ বাবে আমি যত্ন লৈছো । যিসকলৰ বাৰ্ষিক আয় ১২,000 ৰ পৰা ১৫,000 হেজাৰৰ ভিতৰত পৰে তেওঁলোকে ১00 টকা বেছি কৰ দিব লাগিব । কৰৰ নিৰিখ ক্ৰমে বৃদ্ধি হৈছে । যিসকল লোকৰ বাৰ্ষিক আয় ১,২0,000 টকা বা ততোধিক তেওঁলোকে বছৰি ২,৫00 টকাৰ উচ্চতম নিৰিখৰ কৰ দিব লাগিব। বৃত্তিকৰৰ অনুসূচীখন পৰিশিষ্ট ২ত দিয়া হৈছে । আটাইকেইটা স্তৰতে কৰৰ নিৰিখ হৈছে আয়ৰ শতকৰা প্ৰায় ২ ভাগ । কৰৰ এই নতুন নিৰিখ ১৯৮৮-৮৯ চনৰ পৰা প্ৰযোজ্য হব । এই বৃত্তি কৰ আয়কৰ ৰেহাইৰ হিচাপত অন্তৰ্ভূক্ত হব । বৃত্তিকৰৰ পৰা আমি সম্পূৰ্ণ বছৰত ৭ কোটি টকাৰ ৰাজহ পোৱাৰ আশা কৰিছোঁ । অহা ১ এপ্ৰিল তাৰিখৰ পৰা এই ব্যৱস্থা বলবৎ হ'ব ।

যাত্ৰী আৰু বয় বস্তু কৰ

৪৮। অসম যাত্ৰী আৰু বয় বস্তু কৰ আইন, ১৯৬২ অনুসৰি বৰ্তমানৰ মূল্যানুপাতৰ ভিত্তিত যাত্ৰী আৰু বয় বস্তু কৰ লগোৱাৰ ব্যৱস্থা আছে । এই আইন খনৰ ৪ নং ধাৰাই প্ৰচলিত মূল্যানুপাত কৰৰ পৰিবৰ্তে এটা মোটামুটি পৰিমাণৰ কৰ গ্ৰহণ কৰাৰ বাবে

চৰকাৰক কৰ্ত্তৃত্ব দিছে । এই মোটামুটি কৰ নিৰিখৰ শেহতীয়া সংশোধনীটো ১৯৭৭ চনত কৰা হৈছিল । পৰৱৰ্ত্তীকালত যাত্ৰী ভাড়া আৰু বয় বস্তুৰ ভাড়া বঢ়োৱা হৈছিল যদিও মোটামুটি নিৰিখ একেদৰেই থাকিল । মই এই নিৰিখ বঢ়োৱাৰ প্ৰস্তাৱ দাঙি ধৰিছো মিনি–বাছ, মিনি–ট্ৰাক, মেক্সি–টেক্সী আৰু অল ইণ্ডিয়া অম্‌নি বাছ আদিৰ লেখীয়া নতুন ধৰণৰ যান–বাহনৰ চলাচলে মোটামুটি নিৰিখৰ সংশোধনী ঘটোৱাটো প্ৰয়োজনীয় কৰি তুলিছে । এই বৰ্দ্ধিত নিৰিখ হল মিনি–ট্ৰাক, চিটিবাছ আৰু আন্তঃ ৰাজ্যিক অনুমতি পত্ৰ প্ৰাপ্ত টেক্সী সমূহৰ বাবে শতকৰা ১০ ভাগ । আন্তঃ জিলা অনুমতি প্ৰাপ্ত টেক্সীৰ বাবে শতকৰা ২০ ভাগ । ডাঙৰ ট্ৰাকৰ বাবে এই বৃদ্ধিৰ নিৰিখ শতকৰা ৩০ ভাগ আৰু কনট্ৰেক কেৰিয়েজ বাছৰ বাবে হল শতকৰা ৫০ ভাগ । সম্পূৰ্ণ এটা বছৰত আমি ইয়াৰ পৰা ১ কোটি টকাৰ অতিৰিক্ত ৰাজহ পাম বুলি ভাবিছো ।এই ব্যৱস্থা সমূহ পহিলা এপ্ৰিলৰ পৰাই বলবৎ হ'ব । মই ঘোষণা কৰিবলৈ পাই আনন্দিত হৈছো যে যাত্ৰী আৰু বয়বস্ত কৰৰ কাম কাজৰদায়িত্ব অহা বছৰত বিত্ত বিভাগৰ পৰা পৰিবহন বিভাগলৈ হস্তান্তৰিত হ'ব ।

বিলাসিতা কৰ ঃ

৪৯। অসমত এতিয়া হোটেল উদ্যোগ সম্পূৰ্ণভাবে প্ৰতিষ্ঠিত হৈ উঠিছে । উচ্চ– মধ্যবিত্ত আৰু উচ্চ বিত্ত শ্ৰেণীটোৰ আৱশ্যকতা পূৰণৰ বাবে কেবাখনো ডাঙৰ ডাঙৰ হোটেল অলপতে প্ৰতিষ্ঠা কৰা হৈছে । সপূৰ্ণ বছৰটোৰ ভিতৰত ৪০ লাখ টকাৰ অতিৰিক্ত ৰাজহ পোৱাৰ বাবে হোটেল সমূহৰ বিলাস বহুল থকা–মেলাৰ সুবিধাৰ ওপৰত মই কৰ বহুওৱাৰ প্ৰস্তাৱ লৈছো । প্ৰতিদিনে ১০০ ৰ পৰা ২০০ টকা থকাৰ বাবদ ভাৰা দিয়া প্ৰতিজন লোকে বিলাসিতা কৰ ভৰিব লাগিব শতকৰা ১০ ভাগ, ২০০ ৰ পৰা ৩০০ টকা থকাৰ বাবদ দিয়া জনে শতকৰা ১৫ ভাগ আৰু ৩০০ টকাৰ ওপৰত থকাৰ বাবদ দিয়া জনে শতকৰা ২০ ভাগ কৰ দিব লাগিব । এই নিৰিখ সমূহ অহা পহিলা এাপ্ৰলৰ পৰা বলবৎ হ'ব ।

বিমান ইন্ধন

৫০। পৰ্যটিন টাবহিন ইন্ধন বিক্ৰীৰ ওপৰত বৰ্ত্তমানৰ মূল্যানুপাতত শতকৰা ১৫ ভাগ নিৰিখত কৰ লগাই থকা হৈছে । এই নিৰিখ ১৯৮৭ চনৰ এপ্ৰিল মাহত শতকৰা ১০ ভাগৰ পৰা শতকৰা ১৫ ভাগলৈ

বৃদ্ধি কৰা হৈছিল। চুবুৰীয়া ৰাজ্য পশ্চিম বংগত এই কৰৰ নিৰিখ হ'ল শতকৰা ২৫ ভাগ। কাইলৈৰ পৰা আমিও এই নিৰিখ শতকৰা ২৫ ভাগলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ লৈছোঁ। সম্পূৰ্ণ বছৰটোত ইয়াৰ পৰা পাবলগীয়া অতিৰিক্ত ৰাজহ হবগৈ ৮০ লাখ টকা।

পেট্ৰোলিয়াম জাত সামগ্ৰী কৰ

৫১। ১৯৮২ চনৰ পৰা পেট্ৰোলিয়াম জাত সামগ্ৰীৰ বিক্ৰী কৰ কোনো ধৰণৰ বৃদ্ধি কৰা হোৱা নাই। লুব্ৰিকেন্ট, পেট্ৰোলিয়াম গেচ আৰু অন্যান্য উপজাত দ্ৰব্যৰ ওপৰত এক শতাংশ বিক্ৰী কৰ বঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে, আনহাতে পেট্ৰোলৰ ওপৰত বিক্ৰী কৰ বৃদ্ধি পাব ২ শতাংশ। সৰ্বসাধাৰণ লোকৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি কেৰাচিন আৰু ডিজেলক এই কৰ বৃদ্ধিৰ পৰা অব্যাহতি দিয়া হৈছে। এই নতুন কৰৰ হাৰ কাইলৈৰ পৰা বলবৎ হ'ব। গোটেই বছৰটোৰ ভিতৰত ৩.৫ কোটি টকাৰ অতিৰিক্ত ৰাজহ পোৱা হব বুলি আশা কৰা হৈছে।

বিত্ত কৰ

৫২। সম্প্ৰতি, ১৯৬৯ চনৰ পৰাই অসম বিত্ত (বিক্ৰী কৰ) আইন, ১৯৫৬ ৰ অধীনত প্ৰচলিত কৰৰ নিৰিখ অনুযায়ী এক বৃহৎ সংখ্যক সামগ্ৰীত ৭ শতাংশ মূল্যানুপাত কৰ আৰোপ কৰা হৈছে। এই বোৰৰ ভিতৰত আছে মটৰগাড়ী, কমপিউটাৰ, ট্ৰেক্টৰ, তিনিচকীয়া চাইকেল টাইলচ, টুথপেষ্ট, টুথব্ৰাস, কাটা-চামুচ আদি ক্ৰুকাৰী (crockery), বনস্পতি তেল, আতচবাজী, জুইশলা, চামৰাৰ সামগ্ৰী, প্লাইউদ, কাগজৰ সামগ্ৰী, চাবোন ইত্যাদি। মই এই কৰত মাত্ৰ ১ শতাংশ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰিছো। ইয়াৰ পৰা সম্পূৰ্ণ এটা বছৰত ৩ কোটি টকাৰ ৰাজহ পোৱা হ'ব বুলি আমি আশা কৰিছো। অসম বিত্ত বিক্ৰী কৰ আইন, ১৯৫৬ ৰ অধীনত বিলাতী মাটিৰ ওপৰত ১০ শতাংশ আৰু গেঞ্জী-মোজা আদি সামগ্ৰীৰ ওপৰত ৬% বিক্ৰী কৰ আৰোপ কৰা হৈছে। মই এই কৰ ২ শতাংশ বঢ়াবলৈ প্ৰস্তাব কৰিছো। এই ব্যৱস্থাৰে গোটেই বছৰটোৰ ভিতৰত ৪০ লাখ টকাৰ অতিৰিক্ত ৰাজহ আহৰণ হব বুলি অনুমান কৰা হৈছে।

বিক্ৰী কৰ

৫৩। অসম বিক্ৰী কৰ আইন, ১৯৪৭ ৰ অধীনত বহু বিধ সামগ্ৰীৰ ওপৰত শ্ৰেণী বৰ্হিভূত সামগ্ৰী হিচাবে ৬% কৰ আৰোপ কৰা হৈছে। হাৰ্ডৱেৰ, মচলা, ৰেডিমেড্ সাজপোচাক, বিভিন্ন আধুনিক সামগ্ৰী, ষ্টেচনাৰী আদি সামগ্ৰী এই শ্ৰেণীত ধৰা হৈছে। ১৯৬৭ চনত ধাৰ্য্য কৰা হাৰ আছিল ৬ শতাংশ। মই এই কৰ ১% বঢ়োৱাৰ প্ৰস্তাব কৰিছো। ইয়াৰ পৰা গোটেই বছৰটোৰ ভিতৰত ৪০ লাখ টকাৰ অতিৰিক্ত ৰাজহ আহৰণ হ'ব আৰু ইয়াক কাইলৈৰ পৰা বলবৎ কৰা হ'ব।

চাহ নীলাম

৫৪। প্ৰচলিত নিৰিখ অনুযায়ী সম্প্ৰতি গুৱাহাটী নীলাম বজাৰত চাহৰ মূল্যানুপাত বিক্ৰী কৰ হল শতকৰা ১ ভাগ। সাম্প্ৰতিক বছৰ কেইটাত গুৱাহাটীৰ নীলাম বজাৰখনে নিজকে সুস্হিৰ অৱস্হাত ৰাখিবলৈ সমৰ্থ হৈছে আৰু ২% বিক্ৰী কৰ বহন কৰিবলৈয়ো সক্ষম হৈছে। ১৯৪৭ চনৰ এপ্ৰিলত আৰোপ কৰা ১% বিক্ৰী কৰৰ বিষয়টো এই প্ৰসংগতে স্মৰণযোগ্য। এটা সম্পূৰ্ণ বছৰৰ ভিতৰত ২.৫ কোটি টকাৰ অতিৰিক্ত ৰাজহ পোৱা হ'ব বুলি আশা কৰা হৈছে। চাহ নীলামৰ প্ৰতি সদিচ্ছাৰ মনোভাবেৰে নীলামত বিক্ৰী কৰা চাহপাত মই অসমৰ ভিতৰত পুনৰ বিক্ৰীৰ ক্ষেত্ৰত বিক্ৰী কৰ ৰেহাই দিবলৈ প্ৰস্তাৱ কৰিছো। এই বৃদ্ধি আৰু ৰেহাই কাইলৈৰ পৰাই বলবৎ হ'ব।

মাখন

৫৫। সম্প্ৰতি পেকেটত বিক্ৰী কৰি থকা মাখন বিক্ৰী কৰৰ পৰা ৰেহাই দি থকা হৈছে। আনহাতে মোহৰ মাৰি বন্ধ কৰা টিনত বিক্ৰী হোৱা মাখনৰ ওপৰত ৭% কৰ অব্যাহত আছে। এই কৃত্ৰিম ব্যৱধান আতৰ কৰিবলৈ মই প্ৰস্তাৱ কৰিছো আৰু কাইলৈৰ পৰাই বলবৎ হোৱাকৈ পেকেটত বিক্ৰী কৰা মাখনৰ ওপৰত প্ৰথম পদক্ষেপত ৮% কৰ আৰোপ কৰা হব।এই ব্যৱস্হাৰে গোটেই বছৰটোৰ ভিতৰত ১০ লাখ টকাৰ এটা অতিৰিক্ত ৰাজহ পোৱা হ'ব।

চুপাৰি

৫৬। ৰাজ্যৰ ৰাজকোষলৈ কোনো বৰঙণি আগনবঢ়োৱাকৈ এক বৃহৎ পৰিমাণৰ চুপাৰি ৰাজ্যখনৰ পৰা বাহিৰলৈ পঠোৱা হয়। মই প্ৰথম পদক্ষেপত কাইলৈৰ পৰা বলবৎ হোৱাকৈ চুপাৰিৰ ওপৰত ৮% কৰ আৰোপ কৰিবলৈ প্ৰস্তাৱ কৰিছো আৰু ইয়াৰ পৰা সম্পূৰ্ণ বছৰটোত ৪ লাখ টকাৰ ৰাজহ পোৱা হব।

ব্যয় বহুল খাদ্য

৫৭। দেশৰ অন্যান্য লোককো উন্নয়নৰ অংশীদাৰ হবলৈ দিয়াটো ব্যয়বহুল খাদ্যৰ বাবে সামৰ্থ্য থকা চহকীলোক সকলৰ কৰ্ত্তব্য। হোটেল আৰু ৰেস্তোৰাঁত পৰিবেশন কৰা মাংস, মাছ, শাক-পাচলি আৰু দাইল, চাউল, আটা আদি ব্যয় বহুল খাদ্যদ্ৰব্যৰ ওপৰত কাইলৈৰ পৰা বলবৎ হোৱাকৈ মূল্যানুপাতে ৭% বিক্ৰী কৰ আৰোপ কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। যিবিধ খাদ্যৰ মূল্য ১০ টকাতকৈ বেছি সেই খাদ্য প্ৰস্তুতিকৰণৰ ক্ষেত্ৰত এই কৰ প্ৰযোজ্য হ'ব। ইয়াৰ দ্বাৰা ৩০ লাখ টকাৰ এক অতিৰিক্ত ৰাজহ আহৰণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

টাৰ্ণ অভাৰ কৰ

৫৮। যিসকল ব্যৱসায়ীৰ বছৰেকীয়া আয় ১০ লাখৰ অধিক, তেওঁলোকৰ ওপৰত মই পহিলা এপ্ৰিলৰ পৰা এক অপ্ৰতিপ্ৰেৰিত পৰ্য্যায়ক্ৰম কৰ বহুৱাৰ প্ৰস্তাৱ কৰোঁ। যিসকল ব্যৱসায়ীৰ বছৰেকীয়া আয় ১০ লাখ টকাৰ পৰা ২৫ লাখ টকাৰ ভিতৰত তেওঁলোকে ½ শতাংশকৈ পৰ্য্যায়ক্ৰম কৰ দিব লাগিব, যিসকল ব্যৱসায়ীৰ বছৰেকীয়া আয় ২৫ লাখ টকাৰ পৰা ৫০ লাখ টকাৰ ভিতৰত তেওঁলোকে ১ শতাংশকৈ পৰ্য্যায়ক্ৰম কৰ দিব লাগিব আৰু যিসকলৰ বছৰেকীয়া আয় ৫০ লাখ টকাৰ অধিক তেওঁলোকে ১½ শতাংশকৈ এই কৰ দিব লাগিব। এই প্ৰস্তাৱৰ ফলত এটা সম্পূৰ্ণ বছৰত ১০ কোটি টকাৰ এক বৃজন পৰিমানৰ ৰাজহ পোৱা হ'ব। অৱশ্যে পৰ্য্যায়ক্ৰম কৰৰ ওপৰত লগোৱা এই কৰ ঘোষিত পণ্য দ্ৰব্য আৰু অন্যান্য কৰ মুক্ত সামগ্ৰীৰ ক্ষেত্ৰত দিব লগা নহ'ব।

লীজ কৰ

৫৯। সংবিধানৰ ৪৬তম্ সংশোধনী ১৯৮৩ চনৰ পৰা বলবৎ হৈছে। এই সংশোধনীয়ে ৱৰ্কছ কণ্ট্ৰেক্ট ৰূপায়ণৰ সৈতে জড়িত সামগ্ৰীৰ হস্তান্তৰ আৰু ব্যবহাৰ্য্য সামগ্ৰী প্ৰেৰনতো কৰ বহুৱাৰ সুবিধা দিছে। আমি ১ এপ্ৰিলৰ পৰা অতিৰিক্ত সম্পদ আহৰণৰ বাবে এই ক্ষমতা প্ৰয়োগ কৰিব খুজিছোঁ। ভিডিঅ' কেছেট্চ্, অডিঅ' কেছেট্চ্, টেলিভিছন ছেটচ্, ভিডিঅ্ কেছেট ৰেকৰ্ডাৰচ্, ভিডিঅ' কেছেট প্লেয়াৰচ্, ভিডিঅ' গেমচ ইকুইপমেন্টচ্, ইন্টাৰনেল কমিউনিকেশ্যন ইকুইপমেন্টচ্ আৰু ক্লজড চাৰ্কিট টি ভি ইকুইপমেন্টচ্ৰ 'লীজ'ৰ ভাড়াৰ ওপৰত ২০ শতাংশ হাৰত কৰ লগোৱা হ'ব। এই ব্যৱস্থা গ্ৰহণৰ ফলত এটা সম্পূৰ্ণ বছৰত ২০ লাখ টকাৰ ৰাজহ পোৱা হ'ব।

ৱৰ্কছ কণ্ট্ৰেক্ট

৬০। ৱৰ্কছ কণ্ট্ৰেক্টৰ লগত জড়িত ফেব্ৰিকেশ্যন, অভাৰহেড টেঙ্কি স্থাপন, লিফ্‌টছ, ৰলিং ছাটাৰ্ছ, গ্ৰীলচ্, জপাব মেলিব পৰা বা অন্যান্য ধৰণৰ গেট, দৰ্জা, খিড়িকী, ফ্ৰেম, টাইলচ্, শ্লেবছ, ষ্ট'ন চীট্ছ, ফ্লৰিং, ৰুফিং, চেনিটেৰী এণ্ড ৱাটাৰ ফিটিংছ, ড্ৰেইনেজ এণ্ড চিউৱেৰেজৰ ওপৰত পহিলা এপ্ৰিলৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ৪ শতাংশ কৰ লগোৱা হ'ব। নিৰ্দ্দিষ্ট হাৰত শ্ৰম মজুৰী বিয়োগ কৰিবলৈ অনুমতি দিয়া হ'ব। এই ব্যৱস্থা লোৱাৰ ফলত ৩০ লাখ টকাৰ অতিৰিক্ত ৰাজহ সংগ্ৰহ হ'ব বুলি আশা কৰা হৈছে।

প্ৰবেশ কৰ

৬১। ৰাজ্যখনলৈ অহা ব্যৱহাৰ্য্য আৰু বিক্ৰয় সামগ্ৰীৰ ওপৰত কৰ লগোৱাৰ ক্ষমতা সংবিধানে চৰকাৰক দিছে। এটা সম্পূৰ্ণ বছৰত ৭ কোটি টকা পৰিমাণৰ অতিৰিক্ত সম্পদ আহৰণ কৰিবৰ বাবে আমি এই ক্ষমতা প্ৰয়োগৰ প্ৰস্তাব কৰিছো। এই উদ্দেশ্যে অসম প্ৰবেশ কৰ বিল, ১৯৮৯ উত্থাপন কৰা হৈছে। আমি চেনি, বস্ত্ৰ, ধপাত আৰু ধপাতজাত সামগ্ৰীৰ ওপৰত প্ৰবেশ কৰ লগোৱাৰ প্ৰস্তাব কৰিছো। চেনিত ২ শতাংশ, বস্ত্ৰত ৩ শতাংশ আৰু ধপাত আৰু ধপাতজাত সামগ্ৰীত ৪ শতাংশ কৰ লগোৱা হ'ব। বৰ্ত্তমানে এই কেইপদ সামগ্ৰীৰ ওপৰত বিক্ৰী কৰ নাই। ভাৰত চৰকাৰে এই কেইপদ সামগ্ৰীৰ ওপৰত বিক্ৰী কৰৰ পৰিবৰ্ত্তে অতিৰিক্ত আবকাৰী শুল্ক লগায়। এই সন্দৰ্ভত সংবিধানৰ ৩০৪ অনুচ্ছেদ অনুযায়ী ভাৰতৰ ৰাষ্ট্ৰপতিৰ পৰা সন্মতি লোৱাটো প্ৰয়োজন হ'ব। আন আন ৰাজ্যতো বিশেষকৈ মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ আৰু পশ্চিম বংগত প্ৰবেশ কৰ আছে। সেয়ে ভাৰত চৰকাৰৰ পক্ষে এই বিলত অনুমোদন দিয়াটো অসুবিধা হ'ব নালাগে। ৰাষ্ট্ৰপতিৰ সন্মতি প্ৰাপ্তিত আমাৰ পূৰ্বৰ অভিজ্ঞতা সুখকৰ নাছিল আৰু মই আশা কৰো যে এই বিলত খৰতকীয়াকৈ সন্মতি প্ৰদান কৰা হ'ব, যাতে ৰাজ্যখন অতিৰিক্ত সম্পদৰ পৰা বঞ্চিত নহয়।

ষ্টাম্প শুল্ক

৬২। এতিয়া মই ভাৰতীয় ষ্টাম্প আইন, ১৮৯৯ৰ অধীনত আৰোপ কৰিব পৰা ষ্টাম্প শুল্কৰ বিষয়টো উত্থাপন কৰিব খোজো। এই শুল্কৰ সংশোধন ১৯৮৪ চনতে কৰা হৈছিল। ইয়াৰ পৰা অহা ৰাজহৰ পৰিমাণ ২৫ শতাংশ বঢ়াবলৈ মই প্ৰস্তাৱ কৰো আৰু তাৰ ফলত এটা সম্পূৰ্ণ বছৰত পোৱা ৰাজহৰ পৰিমাণ ১ কোটি টকা হ'ব। এই সন্দৰ্ভত সদনত এখন বিল উত্থাপন কৰিবলৈ লোৱা হৈছে।

যানবাহন কৰ

৬৩। অসম মটৰ ভেহিকুল কৰ আইন, ১৯৩৬ অনুসৰি বিভিন্ন ধৰণৰ মটৰ গাড়ীৰ বাবে দিবলগা কৰ ১৯৬৬ চনতে সংশোধন কৰা হৈছিল। যোৱা কেইবছৰমানত প্ৰশাসন ব্যয় বিভিন্ন দিশত বৃদ্ধি পাইছে। মটৰ গাড়ীৰ মালিক সকলে ৰাজ্যৰ ৰাজকোষলৈ বৰঙণি যোগোৱাটো দেশৰ প্ৰতি থকা কৰ্ত্তব্যবে অন্যতম। মই পহিলা এপ্ৰিলৰ পৰা মটৰ কৰ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰো। গাড়ীৰ প্ৰকাৰ ভেদে এই কৰৰ নিৰিখ ১৪ শতাংশৰ পৰা ২০ শতাংশ বৃদ্ধি হ'ব। এই উদ্দেশ্যে সদনৰ এই অধিবেশনতে এখন বিল উত্থাপন কৰা হ'ব।

পঞ্জীয়ন মাচুল

৬৪। ১৯৫৮ চনৰ পৰাই পঞ্জীয়ণ মাচুল একেদৰেই আছে। এই তিনিটা দশকৰ ভিতৰত ভূমি ৰাজহ দহগুণ বৃদ্ধি পায়। গ্ৰাম্য জনসাধাৰণৰ হিতাৰ্থে পঞ্জীয়ন বিভাগৰ সেৱা সম্প্ৰসাৰণ কৰা হয়। প্ৰশাসন ব্যয় বৃদ্ধি পোৱা হেতুকেই পঞ্জীয়ন মাচুল বঢ়োৱাটো আৱশ্যক হৈ পৰে। পঞ্জীয়ন মাচুল সংশোধনৰ পৰা এটা সম্পূৰ্ণ বছৰত ৫০ লাখ টকাৰ অতিৰিক্ত ৰাজহ আয় হ'ব বুলি অনুমান কৰা হৈছে।

বন ৰাজহ

৬৫। বৰ্ত্তমানে বন বিভাগে গৌণ বনজ সম্পদ যেনে বালি, শিল ইত্যাদি যোগানৰ ক্ষেত্ৰত দ্বৈত নিৰিখ পদ্ধতি চলাই আছে। বেচৰকাৰী ক্ৰয়ৰ ক্ষেত্ৰত প্ৰযোজ্য মুকলি নিবিদাৰ বিপৰীতে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভাগ সমূহ/ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানক ৰেহাই ব্যৱস্থাৰ সুবিধা দিয়া হৈছে। এই দ্বৈত নিৰিখৰ ফলতেই এই সম্পদ সমূহ মুকলি বজাৰলৈ যাবলৈ পাইছে। ইয়াক প্ৰতিৰোধ কৰিবৰ বাবেই ৰেহাই মূলক ব্যৱস্থা সমূহ প্ৰত্যাহাৰ আৰু চৰকাৰী বিভাগ আৰু প্ৰতিষ্ঠান সমূহক আন বিলাকৰ লগতে সমনিৰিখত ৰাখিবলৈ মই প্ৰস্তাৱ কৰো। ইয়াৰ ফলত ৫ কোটি টকাৰ অতিৰিক্ত ৰাজহ সংগ্ৰহ কৰিব পৰা হ'ব বুলি অনুমান কৰা হৈছে।

৬৬। উল্লেখিত দফাবোৰত ৰাজ্য চৰকাৰে অতিৰিক্ত ৰাজহ সংগ্ৰহৰ দিশত গ্ৰহণ কৰা প্ৰচেষ্টাৰ এক বিৱৰণ মই দাঙি ধৰিলো। এটা সম্পূৰ্ণ বছৰত মুঠ ৪৩.৮৪ কোটি টকা আহৰণ কৰিব পৰা হব বুলি অনুমান কৰা হৈছে। যিকোনো অতিৰিক্ত বোজা লবলগা হলে অৰ্থনীতিৰ ওপৰত তীব্ৰ হেঁচা পৰিব। মোৰ একান্ত আশা এয়ে যে পৰ্য্যাপ্ত কেন্দ্ৰীয় সাহায্যৰ দ্বাৰা ৰাজ্য চৰকাৰৰ এই আশাসুধীয়া প্ৰচেষ্টা সফল হৈ উঠিব। ৩৭৩ কোটি টকাৰ (ৰিজাৰ্ভ বেংকৰ মতে ৩৮৭ কোটি টকা) বাজেট ব্যৱধান দূৰ কৰাটো আমাৰ নিজস্ব সম্পদৰ পক্ষে অতি বেছি। বিশেষকৈ, দৰমহা সংশোধন কৰাৰ বাবে দিবলগীয়া প্ৰায় ১৮০ কোটি টকাৰ বোজা ৰাজ্য চৰকাৰে বহন কৰিব নোৱাৰে যদিহে বিত্ত আয়োগে প্ৰতিশ্ৰুত দেয়ৰ (liabilities) ক্ষেত্ৰত উদাৰ মনোভাব গ্ৰহণ নকৰে। কেন্দ্ৰীয় ঋণ আৰু সুদ তথা ১৫০ কোটি টকাৰ অভাৰ ড্ৰাফ্ট ঋণৰ দেনা স্থগিতকৰণ (moratorium) সন্দৰ্ভত মই প্ৰধানমন্ত্ৰীৰ ওচৰত মোৰ পূৰ্বৰ অনুৰোধো দোহাৰিছো।

। আপোনালোকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ স্পষ্টভাবে বোধগম্য এই দৃষ্টান্তকে মই দাঙি ধৰিলো । যি কি নহওক, তেল ৰয়েল্টি বৃদ্ধিৰ বাবদ দীৰ্ঘদিন ধৰি পাবলগীয়া হৈ থকা টকাখিনিয়েই অহা বছৰটোত আমাক প্ৰয়োজনীয় ভালেখিনি সকাহ দিব লাগিব । ৰাজ্যখন মূল্যবান প্ৰাকৃতিক সম্পদত চহকী হলেও বিত্তীয় সম্পদত টনকিয়াল নহয় বুলি নৰম বিত্ত আয়োগৰ ওচৰত কৰা মোৰ বক্তব্যকে দোহাৰি মই এই বাজেট বক্তৃতা সামৰিলো । এই অসমতা দূৰ কৰাৰ চাবি–কাঠি ভাৰত চৰকাৰৰ হাতত ।

মহোদয়, এইখিনি কথাকে কৈ মই ১৯৮৯–৯০ চনৰ বাজেট প্ৰাক্কলন আৰু তিনিমাহৰ লেখা অনুদান সদনৰ বিবেচনাৰ্থে উত্থাপন কৰিলো ।

ধন্যবাদ

—: db :—

পৰিশিষ্ট–১

## লেন দেনৰ সংক্ষিপ্ত বিবৰণ

(কোটি টকাৰ হিচাপত)

| | প্রকৃত 
১৯৮৭–৮৮ | বাজেট প্রাক্কলন 
১৯৮৮–৮৯ | সংশোধিত প্রাক্কলন 
১৯৮৮–৮৯ | বাজেট প্রাক্কলন 
১৯৮৯–৯০ |
|---|---|---|---|---|
| ক–প্রাপ্তি | | | | |
| ১। একত্রিত নিধি | | | | |
| ৰাজহ হিচাপ | ১২৪১ | ১৩৪৪ | ১৩৩৬ | ১৫০১ |
| মূলধন হিচাপ | ৬৯১ | ১১০৬ | ১১৩৬ | ১১৬৬ |
| মুঠ | ১৯৩২ | ২৪৫০ | ২৪৭২ | ২৬৬৭ |
| ২। আকস্মিক নিধি হিচাপ | ২ | — | ২ | ২ |
| ৩। ৰাজহুৱা হিচাব | ১৫৮৪ | ৮১৭ | ৮১৫ | ৮৯৯ |
| মুঠ (১+২+৩) | ৩৫১৮ | ৩২৬৭ | ৩২৮৯ | ৩৫৬৮ |
| খ ব্যয় | | | | |
| ১। একত্রিত নিধি | | | | |
| ৰাজহ হিচাপ | ১৩২৬ | ১৪০২ | ১৪১১ | ১৭৭৯ |
| মূলধন হিচাপ | ৬৯৮ | ১১২৩ | ১১১৮ | ১১১৯ |
| মুঠ | ২০২৪ | ২৫২৫ | ২৫২৯ | ২৮৯৮ |

২। আকস্মিক নিধি

| | | | | |
|---|---|---|---|---|
| হিচাপ | ২ | – | ২ | – |
| ৩। ৰাজহুৱা হিচাপ | ১৪৫৬ | ৭৮৬ | ৮০২ | ৮৮৫ |
| মুঠ (১+২+৩) | ৩৪৮২ | ৩৩১১ | ৩৩৩৩ | ৩৭৮৩ |

বছৰটোৰ লেনদেন

| | | | | |
|---|---|---|---|---|
| বাহি(+)/ঘাটি (—) | | (—) ৪৪ | (—)৪৪ | (—)২১৫ |

মহাগাণনিক (+) ৩৬

ৰিজাৰ্ভ বেংক (—) ৪৮

আৰম্ভণি উদ্বৃত্ত

বাহি (+)/ঘাটি(—)

| | | | | |
|---|---|---|---|---|
| মহাগাণনিক | (—) ১৫০ | (—) ১৯৯ | (—)১১৪ | (—) ১৫৮ |
| ৰিজাৰ্ভ বেংক | (—) ৮০ | (—) ১১৩ | (—) ১২৮ | (—) ১৭২ |

সামৰণি উদ্বৃত্ত

বাহি (+)/ঘাটি (—)

| | | | | |
|---|---|---|---|---|
| মহাগাণনিক | (—) ১১৪ | (—) ২৪৩ | (—)১৫৮ | (—) ৩৭৩ |
| ৰিজাৰ্ভ বেংক | (—) ১২৮ | (—) ১৫৭ | (—) ১৭২ | (—) ৩৮৭ |

## পৰিশিষ্ট–২

### বৃত্তি কৰৰ তালিকা

| বাৰ্ষিক আয় | | | বাৰ্ষিক কৰ |
|---|---|---|---|
| ১০,০০০ টকা পৰ্যন্ত | | | নাই |
| ১০,০০০ টকাৰ পৰা | ১২,০০০ টকালৈ | | ৫০/–টকা |
| ১২,০০০ | ১৫,০০০ | ,, | ২০০/– ,, |
| ১৫,০০০ | ২০,০০০ | ,, | ৩৫০/– ,, |
| ২০,০০০ | ২৫,০০০ | ,, | ৫০০/– ,, |
| ২৫,০০০ | ৩৫,০০০ | ,, | ৬৫০/– ,, |
| ৩৫,০০০ | ৪৫,০০০ | ,, | ৮০০/– ,, |
| ৪৫,০০০ | ৫৫,০০০ | ,, | ৯৫০/– ,, |
| ৫৫,০০০ | ৬৫,০০০ | ,, | ১,০০০/– ,, |
| ৬৫,০০০ | ৭৫,০০০ | ,, | ১,২৫০/– ,, |
| ৭৫,০০০ | ৮৫,০০০ | ,, | ১,৪০০/– ,, |
| ৮৫,০০০ | ১,০০,০০০ | ,, | ১,৭০০/– ,, |
| ১,০০,০০০ | ১,২০,০০০ | ,, | ২,০০০/– ,, |
| ১,২০,০০০ টকাৰ ওপৰত | | | ২,৫০০/– ,, |